सत्यमेव जयते

অসমৰ মহামান্য ৰাজ্যপাল

# শ্ৰীজানকী বল্লভ পাটনায়কৰ

## ভাষণ

# জুন অধিবেশন

অসম বিধান সভা

জুন ৭, ২০১১

**অসম বিধান সভাৰ সম্মানীয় অধ্যক্ষ আৰু মাননীয় সদস্য সকল,**

মই ত্ৰয়োদশ অসম বিধান সভাৰ এই উদ্বোধনী অধিবেশনক সম্বোধন কৰিবলৈ পাই বৰ সুখী হৈছো। এই সুযোগতে মই আপোনালোক আটাইলৈকে মোৰ আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰিছো। এতিয়া মই আপোনালোকৰ আগত মোৰ চৰকাৰৰ নীতি আৰু কাৰ্য্যসূচীবোৰ উপস্থাপন কৰিম। মই নিশ্চিত যে, এই পবিত্ৰ সদনত হবলগীয়া আলাপ-আলোচনাই আমাৰ ৰাজ্যখন শান্তি আৰু প্ৰগতিৰ পথত আগবাঢ়ি যোৱাত সহায় কৰিব।

মোৰ চৰকাৰখন অলপতে হৈ যোৱা নিৰ্বাচনৰ নতুন জনাদেশেৰে পুনৰ ক্ষমতালৈ আহিছে যি আছিল শান্তিপূৰ্ণ, মুক্ত আৰু নিকা আৰু ব্যাপক জনসমৰ্থনপুষ্ট। অসমৰ ৰাইজে ২০০১ চনৰ পৰা কৰি অহা ভাল কামৰ স্বীকৃতি দিছে। জীৱনৰ সকলো স্তৰতে পৰিবৰ্ত্তন হোৱাটো তেওঁলোকে প্ৰত্যক্ষ কৰিছে। আইন-শৃংখলা পৰিস্থিতিৰ লক্ষ্যণীয়উন্নতি, এক পৰিবৰ্ত্তিত পৰিস্থিতি য'ত প্ৰায় সকলোবোৰ উগ্ৰপন্থীগোটে আলোচনাৰ বাবে আগবাঢ়ি অহাত আগ্ৰহী, প্ৰায় দেউলীয়া অৱস্থাৰ পৰা ঠনধৰি উঠা বিত্তীয় অৱস্থা আৰু অসমৰ উৰ্দ্ধগামী অৰ্থনীতি আদি সকলোৰে দৃষ্টিগোচৰ হৈছে। অসমৰ ৰাইজৰ এই বিৰাট সমৰ্থনে আমাৰ দায়িত্ব বৃদ্ধি কৰিলে আৰু আমাৰ প্ৰচেষ্টাসমূহক দ্বিগুণ কৰাত আমাৰ সংকল্পক শক্তি যোগালে। আমি অসমক কেৱল শান্তি আৰু সমৃদ্ধিৰ বিচৰণ ভূমি কৰাতে ক্ষান্ত নাথাকি আমাৰ দেশৰ সবাতকৈ উন্নত ৰাজ্যবোৰৰ সৈতে ফেৰ মৰা কৰি গঢ়িব বিচাৰো।

২০০১ চনৰ পৰা ধাৰাবাহিক প্ৰচেষ্টাৰে অসমক আজি এক অৰ্থনৈতিক উত্থানৰ আদৰ্শগত স্থানত উপনীত কৰা হৈছে। অসমে আজি শান্তি আৰু সমৃদ্ধিৰ দিশত যি ভাৱমূৰ্ত্তি ডাঙি ধৰিছে তাৰ ফলস্বৰূপে ইতিমধ্যে ব্যক্তিগত খণ্ড সমূহক বৃহৎ পৰিমাণৰ পুঁজি অসমলৈ যোগান ধৰাৰ কথাটো বিবেচনা কৰাত উৎসাহ যোগাইছে। বহুজাতিক এজেন্সি যেনে - এছীয় উন্নয়ন বেংক, জাপান আন্তঃৰাষ্ট্ৰীয় সমবায় এজেন্সি (জে আই চি এ) আৰু বিশ্ববেংক আদিয়ে অসমত গ্ৰহণ কৰা তেওঁলোকৰ আঁচনিবোৰৰ ফলাফল দেখিছেই আৰু ব্যাপক বিনিয়োজনৰ আগ্ৰহ প্ৰকাশ কৰি আছে। কৰ প্ৰশাসনৰ ক্ষেত্ৰত আমাৰ নিজাববীয়া উন্নতি সাধনে বুজন পৰিমাণে আমাৰ ৰাজহ বৃদ্ধি কৰিছে। অসমত উন্নয়নৰ গতি বৃদ্ধি কৰাৰ লক্ষ্যৰে আৰু ক্ষীপ্ৰ গতিৰে উন্নত ৰাজ্যবোৰৰ ওচৰ চাপিব

পৰাকৈ অৰ্থনীতিৰ বিকাশ নিৰিখ অন্ততঃ দহ শতাংশলৈ বৃদ্ধি কৰাৰ বাবে মোৰ চৰকাৰে এনেধৰণৰ অনুকূল চৰ্তসমূহ খৰতকীয়াকৈ কামত লগাব।

মোৰ চৰকাৰে এই বিকাশ স্থায়ী আৰু সৰ্বাত্মক হোৱাটো নিশ্চিত কৰিব। এই বিকাশ নিৰিখ বঢ়োৱাৰ উপৰিও ইয়াৰ সমানে মানৱ উন্নয়ন অনুসূচী (এইছ ডি আই) উন্নীতকৰণৰ কথাটোও ই নিশ্চিত কৰিব। ইয়াৰ বাবে স্বাস্থ্য আৰু শিক্ষা খণ্ডত বৰ্দ্ধিত মনযোগ দিয়া হ'ব। কোনোলোক যাতে অনাহাৰে নাথাকে আৰু স্বাস্থ্য আৰু শিক্ষাৰ সা-সুবিধাৰ পৰা যাতে কেৱে বঞ্চিত নহয় তাৰ বাবে সমন্যায় বিবেচনাৰ ওপৰত জোৰ দিয়া হব। বিনিয়োজন বৃদ্ধিত উদ্‌গণি দিয়াৰ বাবে অসম বিনিয়োজন উন্নয়ন নিগম গঠন কৰা হ'ব. বৰাক উপত্যকাৰ জিলা কেইখনৰ সৰ্বাংগীন উন্নয়নৰ বাবে ১০০০ কোটি টকাৰ এক বিশেষ আঁচনি আগবঢ়োৱা হ'ব. অনুন্নত খণ্ড সমূহ সঠিকভাবে চিনাক্তকৰণৰ পিচত আটাইতকৈ পিছপৰা অঞ্চলবোৰৰ উন্নয়নৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

মোৰ চৰকাৰ এক দক্ষ, স্বচ্ছ, দায়িত্বশীল আৰু দুৰ্নীতিমুক্ত প্ৰশাসন দিয়াৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ। সেয়ে এই দিশত, ৰাইজৰ পদূলিত ৰাইজৰ চৰকাৰ আঁচনিখন ই পুণৰুজ্জীৱিত কৰিব। প্ৰশাসনৰ দক্ষতা বৃদ্ধিৰ বাবে চাৰিবিধ নতুনসেৱাৰ সৃষ্টি কৰা হ'ব যেনে - অসম গ্ৰাম্য সেৱা, অসম আৰ্থিক সেৱা, অসম ৰাজহসেৱা আৰু অসম তথ্য সেৱা। প্ৰশাসনৰ আওপুৰণি জটিল প্ৰক্ৰিয়াসমূহ সৰল কৰাৰ অৰ্থে উপায় উদ্ভাৱন কৰা হ'ব। প্ৰশাসনিক যন্ত্ৰৰ জবাবদিহিতা নিশ্চিত কৰাৰ লগতে ৰাইজলৈ সঠিক সেৱা আগবঢ়োৱাটো নিশ্চিত কৰাৰ অৰ্থে এখন জবাবদিহিৰ আয়োগ (একাণ্টেবিলিটি কমিচন) গঠন কৰা হ'ব। ইয়াৰোপৰি মুখ্য তদাৰকী আয়ুক্ত, অতিৰিক্ত তদাৰকী আয়ুক্তসকল আৰু চাৰিগৰাকী মাণ্ডলিক তদাৰকী আয়ুক্ত নিযুক্ত কৰা হ'ব। লোকায়ুক্তৰ সংগঠনটো শক্তিশালী কৰা হ'ব। বেচৰকাৰী সংগঠনসমূহ আৰু সমাজে বাছি দিয়া খ্যাতিসম্পন্নলোকৰ সন্মুখত আঁচনি আৰু কাৰ্য্যসূচীবোৰৰ সামাজিক পৰীক্ষণ কৰা হ'ব। চৰকাৰী বিভাগবোৰৰ এক পাৰদৰ্শিতা মূল্যাংকণ পদ্ধতি গঢ়ি তোলা হ'ব আৰু এই মূল্যাংকণ প্ৰক্ৰিয়াৰ সৈতে বিশ্ববিদ্যালয়সমূহৰ দৰে অগ্ৰণী প্ৰতিষ্ঠান আদিকো জড়িত কৰা হ'ব। মন্ত্ৰীসকল, সংসদী সচিবসকল আৰু সকলো বিষয়া আদিৰে সম্পত্তিৰ বাৰ্ষিক ঘোষণা বাধ্যতামূলক কৰা হ'ব।



**আইন আৰু শৃংখলা ঃ**

অসমত শান্তি আৰু স্বাভাৱিক অৱস্থাৰ সৈতে ২০০১ চনৰ পৰাই আইন-শৃংখলা পৰিস্থিতিৰ ক্ষীপ্ৰ উন্নতি সাধিত হৈছে। ই পি ডি এচ, ডি এইচডি (নুনিচা) গোট, ডি এইচ ডি (জুৱেল) গোট, কে এল এন এল এফ, এন ডি এফবি (ধীৰেন বড়ো গোট), এ চি এম এ আৰু বি চি এফ আদি বিভিন্ন উগ্ৰপন্থী সংগঠনৰ সৈতে হোৱা অভিযান স্থগিতকৰণ চুক্তি বাহাল আছে। ৰাজ্য চৰকাৰৰ উদ্যোগত আলফা, ইউ পি ডি এচ, ডি এইচ ডি (জে) আৰু কে এন এন এল এফৰ মাজত শান্তি প্ৰক্ৰিয়া আগবঢ়াই নিয়াৰ উদ্দেশ্যে এগৰাকী মধ্যস্থতাকাৰী নিযুক্ত কৰা হৈছে আৰু ই এতিয়া ইতিবাচক দিশত আগবাঢ়ি আছে।আলফা আৰু অন্যান্য উগ্ৰপন্থী সংগঠনৰ সৈতে আলোচনাৰ মঞ্চ গঢ়ি উঠিছে আৰু বাকী থকা আন আন উগ্ৰপন্থী গোটবোৰকো আলোচনাৰ মেজলৈ অনাৰ প্ৰচেষ্টাও চলি আছে। অসমলৈ যাতে স্থায়ী শান্তি আহে তাৰ বাবে মোৰ চৰকাৰে এই প্ৰক্ৰিয়াবোৰ আগবঢ়াই নিব। উগ্ৰপন্থী সংগঠনৰ যিসকল সদস্য মূল সুঁতিলৈ ঘুৰি আহিছে আৰু স্বাভাৱিক জীৱন যাপনৰ ইচ্ছা প্ৰকাশ কৰিছে সেইসকল সদস্যৰ পুনৰসংস্থাপনৰ ব্যৱস্থা চৰকাৰে লব।

সন্দেহজনক ভোটাৰৰ বিষয়টো মোৰ চৰকাৰৰ বাবে উদ্বেগৰ কাৰণ যিহেতু তেওঁলোকৰ বহুত সংখ্যকে পিচতগৈ প্ৰকৃত ভাৰতীয় বুলি গণ্য হৈছে। প্ৰকৃত ভাৰতীয় যিসকল লোক যাক সন্দেহজনক ভোটাৰ হিচাপে আগতে চিনাক্ত কৰা হৈছিল তেওঁলোকক ভোট দানৰ লগতে নাগৰিকৰ অন্যান্য অধিকাৰ সমূহ সাব্যস্তৰ অনুমতি দিয়া হৈছে আৰু ইয়াক নিশ্চিত কৰাৰ অৰ্থে চৰকাৰে ব্যৱস্থা ল'ব। সৰ্বাত্মক আধুনিকীকৰণ, আৱশ্যকীয় গাঁথনিগত উন্নয়ন আৰু প্ৰশাসনিক সংস্কাৰৰ জৰিয়তে ৰাজ্যিক আৰক্ষী বাহিনীক অধিক কাৰ্য্যক্ষম কৰি তুলিবলৈ মোৰ চৰকাৰে সকলো ব্যৱস্থা হাতত ল'ব। আৰক্ষী আৰু জনসাধাৰণৰ মাজত বন্ধুত্বপূৰ্ণ সম্পৰ্ক গঢ়ি তোলাৰ বাবেও চৰকাৰে ব্যৱস্থা ল'ব। বৰ্দ্ধিত জনসংখ্যাৰ সমানুপাতিক হাৰত আৰক্ষী থানা আৰু চকীৰ সংখ্যাও বঢ়োৱা হ'ব আৰু এই ক্ষেত্ৰত দুৰ্ণিবটীয়া ঠাই সমূহৰ ওপৰত গুৰুত্ব দিয়া হ'ব। হোমগাৰ্ড আৰু গ্ৰাম্য প্ৰতিৰক্ষা বাহিনীৰ শক্তি বৃদ্ধি কৰা হ'ব আৰু সেইবোৰৰ সদস্যসকলৰ সা-সুবিধাও বৃদ্ধি হ'ব। হিংসাৰ বলি হোৱা সকলৰ পৰিয়াললৈ ক্ষতিপূৰণ দিয়া আঁচনিখন চলি থাকিব আৰু এনে পৰিয়ালৰ ল'ৰা-ছোৱালীক শিক্ষিত কৰি তোলাৰ বাবে বিশেষ ব্যৱস্থা লোৱা হ'ব।

**অসম চুক্তি ঃ**

অসম চুক্তি ক্ষীপ্রতাৰে ৰূপায়ণ কৰিবলৈ মোৰ চৰকাৰ দায়বদ্ধ। ১৯৫১ চনৰ নাগৰিক পঞ্জীখন উন্নীতকৰাৰ বাবে চৰকাৰে কেতবোৰ পদক্ষেপ গ্ৰহণ কৰিছে। কোনো প্ৰকৃত ভাৰতীয় নাগৰিকৰ যাতে হাৰাশাস্তি নহয় আৰু কোনো বিদেশীকো যাতে অবৈধভাবে অসমত থাকিবলৈ দিয়া নহয় তাৰবাবে আঁসোৱাহ সমূহ দুৰ কৰি আৰু ১৯৫১ চনৰ নাগৰিক পঞ্জীখন উন্নীতকৰণৰ প্ৰক্ৰিয়াটো সৰলীকৰণ কৰি এই প্ৰক্ৰিয়াটো সম্পূৰ্ণ কৰাৰ বাবে সকলো প্ৰচেষ্টা গ্ৰহণ কৰা হ'ব। বিদেশী চিনাক্তকৰণ আৰু বহিষ্কৰণৰ বাবে ৰাজ্যখনত ৩৬খন বিদেশী চিনাক্ত ন্যায়াধিকৰণে কাম কৰি আছে। অনুপ্ৰৱেশৰোধৰ বাবে অসমৰ গড়কাপ্তানি বিভাগে পাঁচখন দলঙৰ বাহিৰে তেওঁলোকৰ হাতত অৰ্পিত ভাৰত-বাংলাদেশ সীমান্তৰ ৰাস্তা আৰু বেৰাৰ কাম সম্পূৰ্ণ কৰিছে আৰু দলংকেইখনৰ কামো শীঘ্ৰে সম্পূৰ্ণ হ'ব। কেন্দ্ৰীয় এজেন্সি সমূহে তেওঁলোকৰ ভাগত পৰা ভাৰত-বাংলাদেশ সীমাৰ ৰাস্তা আৰু বেৰাৰ লগতে ফ্লাড্ লাইটৰ কামখিনি যাতে সোনকালে সম্পূৰ্ণ কৰে তাৰ বাবে মোৰ চৰকাৰে উক্ত এজেন্সিবোৰৰে যোগাযোগ অব্যাহত ৰাখিছে।

মোৰ চৰকাৰে অসমৰ ঐতিহাসিক স্থান আৰু সত্ৰসমূহৰ সুৰক্ষা, সংৰক্ষণ আৰু উন্নয়নৰ দায়িত্ব লৈছে। ভাৰতীয় পুৰাতাত্বিক জৰীপ বিভাগেও অসমৰ ঐতিহাসিক স্থান সমূহৰ সুৰক্ষা, সংৰক্ষণ আৰু উন্নয়নৰ কাম হাতত লৈছে। জ্যোতি চিত্ৰবন ফিল্ম ষ্টুডিওৰ তৃতীয় স্তৰ (অংশ-১)ৰ আধুনিকীকৰণৰ কাম আগবাঢ়ি আছে। অসম গেছক্ৰেকাৰ প্ৰকল্প আৰু বগীবিল ৰেল আৰু ৰাস্তা প্ৰকল্পৰ কাম চলি আছে। গ্ৰীণফিল্ড কাগজ প্ৰকল্প স্থাপনৰ জৰিয়তে অশোক পেপাৰ মিলৰ উজ্জীৱিতকৰণৰ প্ৰস্তাৱ লোৱা হৈছে। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হস্পিটেলক চুপাৰ স্পেচিয়েলিটি হস্পিটেললৈ উন্নীতকৰণৰ কাম আগবাঢ়িছে।

**কৃষি আৰু উদ্যান শস্য ঃ**

কৃষি হ'ল অসমৰ অৰ্থনীতিৰ ধৰণী আৰু মোৰ চৰকাৰে গুৰুত্ব দিয়া এটা খণ্ড। এক দ্বিতীয় সেউজ বিপ্লৱৰ গতি তোলা হ'ব আৰু খাদ্যৰ নিৰাপত্তা নিশ্চিতকৰণ আৰু খাদ্য উৎপাদনত অসমক স্ব-নিৰ্ভৰশীল কৰি তোলাৰ বাবে কৃষি উৎপাদন নিৰিখ কমেও ৮ শতাংশ বৃদ্ধিৰ বাবে সকলো ধৰণৰ কাৰ্য্য ব্যৱস্থা হাতত লোৱা হ'ব। অসমত ধান, মাহ জাতীয় শস্য, আৰু শাক-পাচলি, আলু, পিয়াজ আৰু ফল-মূলৰ



উৎপাদন বৃদ্ধি কৰাৰ লক্ষ্যৰে উৎপাদিকা বৃদ্ধি, যান্ত্ৰিকীকৰণৰ ব্যৱস্থা আৰু আধুনিকীকৰণ সম্ভৱ কৰি তোলাৰ অৰ্থে বিশেষ আঁচনি লোৱা হ'ব। এই উদ্দেশ্যে উন্নত ব্যৱহাৰিক আঁচনিৰ প্ৰভাৱ, উচ্চমানৰ ফচল পাব পৰা বিভিন্ন জাতৰ শস্যৰ প্ৰয়োগ আৰু ধান আদিৰ প্ৰাচুৰ্য্যতা বৃদ্ধিৰ লেখীয়া বিষয়বোৰ প্ৰদৰ্শন কৰি দেখুওৱা হ'ব। বহুমুখী শস্য উৎপাদনৰ কাম হাতত লোৱাৰ বাবে কৃষকসকলৰ মাজত সজাগতা সৃষ্টি কৰা হ'ব। জৈৱ সাৰ প্ৰয়োগৰ জৰিয়তে মাটিৰ উৰ্বৰতা বৃদ্ধিৰ ওপৰতো জোৰ দিয়া হ'ব। ট্ৰেক্টৰ, পাৱাৰ টিলাৰ, পাম্পচেট, স্প্ৰে মেচিন আদি কৃষকসকলৰ মাজত বৰ্দ্ধিত হাৰত আবণ্টন দিয়া হ'ব। খেতিয়কসকলক সংগঠিত কৰিবলৈ আৰু আৱশ্যকীয় নীতি-নিৰ্দ্দেশনা প্ৰদান কৰি উৎপাদিকা বৃদ্ধি কৰিবলৈ তেওঁলোকক উৎসাহিত কৰাৰ অৰ্থে এখন কৃষক পৰিষদ গঠন কৰা হ'ব। কৃষক আৰু অন্যান্য শ্ৰমিকৰ আয় দ্বিগুণ কৰাটো আমাৰ লক্ষ্য হ'ব।

কৃষি আৰু আনুসঙ্গিক কাম-কাজৰ ক্ষেত্ৰত বিশেষজ্ঞীয় পৰামৰ্শ দানৰ বাবে এখন কৃষি আয়োগ গঠন কৰা হ'ব। কৃষকসকলৰ পাৰদৰ্শিতা বৃদ্ধি আৰু তেওঁলোকক উদ্‌গণি যোগাৱৰ বাবে এখন ক্ষুদ্ৰ আৰু উপান্ত কৃষক উন্নয়ন নিগম স্থাপন কৰা হ'ব। কৃষকৰ বাবে এক প্ৰশিক্ষণ আৰু প্ৰদৰ্শন কেন্দ্ৰও মুকলি কৰা হ'ব। কৃষকে পাব পৰাকৈ কৃষি ঋণৰ ব্যৱস্থাৱলী সৰল কৰা হ'ব আৰু সুঁত সাহায্যপ্ৰদান কৰা হ'ব। তেওঁলোকৰ দায়িত্ব সামৰি লোৱাৰ বাবে অধিক সংখ্যক কৃষকক শস্য বীমা আঁচনিৰে সামৰি লোৱা হ'ব। প্ৰাকৃতিক দুৰ্য্যোগ যেনে - বানপানী, খহনীয়া আৰু খৰাং আদিয়ে ক্ষতিগ্ৰস্ত কৰা কৃষকক অধিক পৰিমাণৰ সাহায্য দিয়া হ'ব। কৃষকক নগদ উদ্‌গণি প্ৰদান কৰা বৰ্ত্তমানৰ মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনিখনৰ অধিক সম্প্ৰসাৰণ ঘটাই ইয়াৰ জৰিয়তে আৰু অধিক ক্ষুদ্ৰ আৰু উপান্ত খেতিয়কক সামৰি লোৱা হ'ব। কৃষকসকলে তেওঁলোকৰ শস্য বিক্ৰিৰ ক্ষেত্ৰত যাতে সা-সুবিধা পায় তাৰ বাবে বজাৰ বুনিয়াদ আৰু পথ যোগাযোগ ব্যৱস্থা শক্তিশালী কৰা হ'ব।

বেছি ফচল পাব পৰা শস্য যেনে - চীনা বাদাম, ভোট জলকীয়া, জালুক, আদা, হালধি আৰু বিভিন্ন জাতৰ অৰ্কিড ফুল, এন্থুৰীয়াম আদিৰ খেতিত উৎসাহ যোগোৱা হ'ব। খেতি চপোৱাৰ পাচত অস্থায়ী উদ্যান শস্য উৎপাদনৰ বিজ্ঞান ভিত্তিক প্ৰদৰ্শন প্ৰচেষ্টাটো অব্যাহত ৰখা হ'ব। ঔষধি গছৰ খেতিৰ কামত উৎসাহ যোগোৱা হ'ব। উদ্যান শস্যৰ প্ৰধান প্ৰতিষ্ঠান আৰু সংগঠনবোৰত অত্যাধুনিক উদ্যান প্ৰযুক্তিৰ

বিষয়ে কৃষক সকলক প্ৰদৰ্শন আৰু প্ৰশিক্ষণ দিয়া হ'ব। উদ্যান শস্যৰ সামগ্ৰীবোৰৰ বেচা-কিনা, প্ৰক্ৰিয়াকৰণ আৰু সঞ্চিতকৰণৰ বুনিয়াদ উন্নত কৰি তোলা হ'ব। উদ্যান শস্য আৰু ফুলৰ খেতি খণ্ডটোত নিৱনুৱা যুৱকক শিক্ষাদনৰ বাবে প্ৰশিক্ষণ আৰু বিত্তীয় সাহায্য আগবঢ়োৱা হ'ব।

**জলসিঞ্চন ঃ**

খেতিয়কসকলে যাতে বহুবিধ শস্যৰ খেতি কৰি তেওঁলোকৰ উপাৰ্জন বঢ়াব পাৰে তাৰ প্ৰতি লক্ষ্য ৰাখি জলসিঞ্চনৰ সা-সুবিধা বৃদ্ধিৰ বাবে মোৰ চৰকাৰ দায়বদ্ধ। সামৰি নোলোৱা অঞ্চলবোৰলৈ জলসিঞ্চনৰ সা-সুবিধাৰ সম্প্ৰসাৰণ ঘটাই জলসিঞ্চন পদ্ধতিৰ প্ৰসাৰণ ঘটোৱাৰ বাবে ই কাৰ্য্যব্যৱস্থা গ্ৰহণ কৰিব। বৃহৎ, মধ্যম আৰু ক্ষুদ্ৰ জলসিঞ্চনখণ্ডত ২৭.০০ লাখ হেক্টোৰ জলসিঞ্চন সম্ভাৱনীয়তাৰ শেষ লক্ষ্যৰ বিপৰীতে ৰাজ্যখনে ২০১১ চনৰ মাৰ্চ মাহলৈ ৭.৯৭ লাখ হেক্টোৰৰ লক্ষ্যত উপনীত হৈছে। ৫খন বৃহৎ জলসিঞ্চন আঁচনি, ১১ খন মজলীয়া জলসিঞ্চন আঁচনি আৰু ১,২৩৮ খন ক্ষুদ্ৰ জলসিঞ্চন আঁচনিৰ কাম সম্পূৰ্ণ কৰি এই লক্ষ্যত উপনীত হব পৰা গৈছে। অধিক সংখ্যক অঞ্চলক জলসিঞ্চনৰ আওতালৈ অনাৰ বাবে বিস্তৃত জলসিঞ্চন হিতকাৰী আঁচনি (এ আই বি পি) অগ্ৰৱৰ্ত্তী অঞ্চল উন্নয়ন আৰু জল ব্যৱস্থাপনা (চি এ ডি ডব্লিউ এম) আঁচনি, নাবাৰ্ডৰ অধীনস্থ অসম বিকাশ যোজনা আৰু আঁচনি (আৰ আই ডি এফ), ৰাজ্যিক পৰিকল্পনা আৰু অপৰিশোধেয় পুঁজিৰ উৎস (এন এল চি পি আৰ)ৰ পুঁজিৰে কেতবোৰ বৃহৎ মজলীয়া আৰু ক্ষুদ্ৰ জলসিঞ্চনৰ আঁচনিৰ কাম ৰূপায়ন কৰি থকা হৈছে।

**পশু পালন আৰু পশু চিকিৎসা ঃ**

গ্ৰামাঞ্চলত বসবাস কৰা লোকৰ সামাজিক-অৰ্থনৈতিক অৱস্থাৰ উন্নতি সাধনৰ অৰ্থে পশুপালন হৈছে এটা অতি উল্লেখযোগ্য খণ্ড। ৰাজ্যখনৰ পশুধনৰ উন্নয়নৰ অৰ্থে মোৰ চৰকাৰে কেবাখনো আঁচনি হাতত লৈছে। তেনে আঁচনি কেইখনমান হ'ল - দুগ্ধ উৎপাদন বৃদ্ধিৰ অৰ্থে কৃত্ৰিম শুক্ৰ বীৰ্য্য স্থাপন সেৱা আঁচনি, গৰু-মহ পোহা আঁচনি, অৰ্ধ-ব্যাপক ছাগলী আৰু গাহৰি পোহা আঁচনি, গ্ৰাম্য পিছ চোতালৰ হাঁহ-কুকুৰা বিতৰণ আঁচনি আৰু ব্যাপক টীকাকৰণৰ জৰিয়তে জন্তুৰ ৰোগ নিৰাময়ৰ বাবে গ্ৰহণ কৰা আঁচনি, পশু চিকিৎসা, অৰ্ধ পশু চিকিৎসাৰ দক্ষতা উন্নীতকৰণৰ অৰ্থে আৰু কৃষকৰ দক্ষতা বৃদ্ধিৰ বাবে পশুধনৰ ঔদ্যোগীক প্ৰতিষ্ঠান আৰু ব্যৱস্থাপনাৰ



বাবে ৰাণীত এখন আঞ্চলিক প্ৰতিষ্ঠান স্থাপন কৰিবলৈ লোৱা হৈছে। বৰ্ত্তমান পশুচিকিৎসা হাস্পাতালসমূহ আধুনিকীকৰণ কৰা হৈছে আৰু এইবোৰ সম্প্ৰসাৰণ ঘটোৱা হৈছে। এটা শীতলীকৃত বীৰ্য্য উৎপাদন কেন্দ্ৰ স্থাপন কৰা হ'ব আৰু পশু খাদ্যৰ উপলব্ধকৰণ সুনিশ্চিতকৰণৰ অৰ্থে ব্যৱস্থা হাতত লোৱা হ'ব। পশু চিকিৎসা বিজ্ঞানৰ এখন নতুন বিশ্ববিদ্যালয় স্থাপন কৰা হ'ব।

অসম দুগ্ধ উন্নয়নৰ ওপৰত এক বিশেষ গুৰুত্ব প্ৰদান কৰা হৈছে। দুগ্ধ উৎপাদক সকলক সংগঠিত কৰাৰ অৰ্থে, প্ৰক্ৰিয়াকৰণৰ আন্তঃ গাথ নি উন্নীতকৰণৰ অৰ্থে আৰু বজাৰৰ বাবে কেবাটাওঁ ব্যৱস্থা হাতত লোৱা হৈছে। এই উদ্দেশ্যে কেবাখনো আঁচনি ৰূপায়ন কৰি থকা হৈছে। তেনে আঁচনি কেইখনমান হ'ল - দুগ্ধ গাঁও আঁচনি (ৰাজ্যিক পৰিকল্পনা), চহৰ দুগ্ধ যোগান আঁচনি, বাহিৰৰ পৰা সাহায্যপ্ৰাপ্ত অসম কৃষি প্ৰতিযোগিতামূলক প্ৰকল্প, ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনাৰ কেন্দ্ৰীয় আঁচনি আৰু গুণগত তথা নিকা দুগ্ধ উৎপাদনৰ বাবে আন্তঃগাথনিগত উন্নয়ন প্ৰকল্প। নিৰ্বাচিত উদ্যোগী ব্যক্তিক অগ্ৰাধিকাৰ ভিত্তিত ৰাজ সাহায্য আৰু ঋণ প্ৰদানৰ দ্বাৰা বাণিজ্যিক দুগ্ধ উৎপাদনক উৎসাহিত কৰাৰ অৰ্থে ব্যৱস্থা হাতত লোৱা হৈছে।

**মীন ঃ**

২০১০-১১ চনৰ সময়ছোৱাত ২২৭ নিযুত কিঃ গ্ৰাঃ পৰিমাণৰ মাছ উৎপাদন কৰি অসমে এক অভিলেখ স্থাপন কৰিবলৈ সক্ষম হৈছে। মাছ উৎপাদনৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীলতা অৰ্জন কৰাৰ অৰ্থে মাছৰ উৎপাদন আৰু অধিক বৃদ্ধি কৰিবলৈ মোৰ চৰকাৰে ব্যৱস্থা হাতত ল'ব। বাণিজ্যিক ভিত্তিত মাছ উৎপাদনৰ অৰ্থে কাৰিকৰী আৰু বিত্তীয় সাহায্য যোগান ধৰাৰ বাবে আঁচনি হাতত লোৱা হ'ব। মৎস্য খণ্ডত সম্প্ৰসাৰণমূলক সেৱা সমূহক শক্তিশালীকৰণৰ অৰ্থে এখন উদ্ভাৱনমূলক আঁচনি হাতত লোৱা হৈছে। এই আঁচনিৰ অংশ হিচাপে প্ৰায় ৩০০ গৰাকী শিক্ষিত যুৱক-যুৱতীক প্ৰশিক্ষণ দিয়া হৈছে আৰু তেওঁলোকক বৰ্ত্তমান বিভিন্ন উন্নয়ন খণ্ডত মৎস্য মিত্ৰ হিচাপে নিয়োজিত কৰা হৈছে। এই আঁচনিখন অব্যাহত ৰখা হ'ব। গ্ৰাম্য আন্তঃগাথনিগত উন্নয়ন পুজি (আৰ. আই. ডি. এফ.)ৰ অধীনত অসম মীন উন্নয়ন নিগম (এ. এফ. ডি. চি.) এ ৮খন বিলৰ বাবে এক আন্তঃগাথনিগত উন্নয়ন আঁচনিৰ কাম হাতত লৈছে। মৎস্য পোণাৰ চাহিদা পূৰণ কৰাৰ অৰ্থে মৎস্য পোণা মিল স্থাপনৰ বাবে এ. এফ. ডি. চি. - এ এখন আঁচনি হাতত লৈছে ।

**পঞ্চায়ত আৰু গ্ৰামোন্নয়ন ঃ**

পঞ্চায়তী ৰাজ ব্যৱস্থাটোক ২০০১ চনৰ পৰা পুনৰুজ্জীৱিত কৰি তোলা হৈছে আৰু এই সময়ছোৱাৰ ভিতৰত পঞ্চায়ত নিৰ্ব্বাচন দুবাৰ অনুষ্ঠিত কৰা হৈছে। পঞ্চায়ত সমূহৰ কাম-কাজৰ উন্নতি সাধনৰ অৰ্থে সকলোবোৰ গাওঁ পঞ্চায়ত আৰু আঞ্চলিক পঞ্চায়তকে কম্পিউটাৰ যোগান ধৰা হৈছে আৰু অসমত পঞ্চায়তসমূহৰ হিচাপ (গণনা) ৰ কম্পিউটাৰ কৰণৰ কাম চলি আছে। এই ব্যৱস্থাসমূহে পঞ্চায়ত সমূহলৈ স্বচ্ছতা অনাৰ লগতে ইয়াৰ দায়বদ্ধতাও বৃদ্ধি কৰিব। পঞ্চায়ত কৰ্ম্মী সকলৰ দক্ষতা বৃদ্ধিৰ অৰ্থে আৰু পঞ্চায়তীৰাজ ব্যৱস্থাটোক অধিক শক্তিশালী কৰি তোলাৰ অৰ্থে পঞ্চায়ত কৰ্ম্মী সকলক ব্যাপক প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। এক পৰিকল্পিত ৰূপত গ্ৰামোন্নয়নক ক্ষীপ্ৰতৰ কৰাৰ বাবে এক ৰাজ্যিক গ্ৰামোন্নয়ন কৰ্তৃপক্ষ স্থাপন কৰা হব। গ্ৰাম্য অৰ্থনীতিৰ উন্নয়ন সাধনৰ অৰ্থে ব্যৱস্থা উদ্ভাৱন কৰিবলৈ এখন আয়োগো স্থাপন কৰা হ'ব।

ৰাজ্যখনত স্বৰ্ণজয়ন্তী গ্ৰাম স্বৰোজগাৰ যোজনা (এচ. জি. এচ. ৱাই.) আঁচনিখন ৰূপায়ণ কৰি থকা হৈছে। এই আঁচনিৰ অধীনত আত্ম সহায়ক গোট আৰু ব্যক্তিগত স্ব-ৰোজগাৰী সকলক স্ব-নিয়োজনৰ সুবিধা প্ৰদান কৰা হৈছে। এই আঁচনিৰ অধীনত আত্ম সহায়ক গোট সমূহলৈ প্ৰদান কৰা মঞ্জুৰী বৃদ্ধি কৰিবলৈ প্ৰস্তাৱ লোৱা হৈছে। আত্ম সহায়ক গোটসমূহক প্ৰশিক্ষণ দিয়া হ'ব আৰু তেওঁলোকে লোৱা ঋণৰ ওপৰত হোৱা সুতৰ ৰাজসাহায্য বৃদ্ধি কৰা হ'ব। মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আইন আঁচনিখনক অধিক শক্তিশালী কৰি তোলা হ'ব আৰু গ্ৰাম্য আন্তঃগাঠনি, যেনে-গ্ৰাম্য পথ, কালভাৰ্ট, কৃষি-পথাৰ সুৰক্ষা বান্ধ ইত্যাদি সৃষ্টি কৰা হ'ব। মোৰ চৰকাৰে ইন্দিৰা আৱাস যোজনাৰ অধীনত গৃহহীন দুখীয়া পৰিয়ালক বাসোপযোগী গৃহ প্ৰদান কৰিব। মুখ্যমন্ত্ৰীৰ জীৱন জ্যোতি স্ব-নিয়োজন যোজনাৰ অধীনত অধিক নিৱনুৱা যুৱক-যুৱতীক স্ব-নিয়োজনৰ সুবিধা প্ৰদান কৰা হ'ব। ৰাজ্যখনৰ পৰা অতিৰিক্ত পুঁজি যোগানৰ দ্বাৰা বৃদ্ধ-পেঞ্চন আঁচনিখনৰ উত্তৰণ ঘটোৱা হ'ব।

**সমবায় ঃ**

বিভিন্ন খণ্ডসমূহক সামৰি অসমত এক বৃহৎ সমবায়-সমিতিৰ নেটৱৰ্ক আছে। এই খণ্ডসমূহ হ'ল- কৃষি ঋণ, গৃহ, মীন, দুগ্ধ পাম, প্ৰক্ৰিয়াকৰণ, কুটিৰ শিল্প আৰু ক্ষুদ্ৰ উদ্যোগ, পৰিবহন ইত্যাদি। সমবায় সমিতিসমূহৰ কাম-কাজৰ পুনৰুজ্জীৱিতকৰণ আৰু এইবোৰ থান-থিত লগোৱাৰ অৰ্থে কেবাটাও ব্যৱস্থা হাতত লোৱা হৈছে। অসম সমবায় সমিতিৰ বিলখনত ভাৰতৰ মহামান্য ৰাষ্ট্ৰপতিৰ পৰামৰ্শাৱলী সংযোজন



কৰিবলৈ লোৱা হৈছে, যিখন বিল পূৰ্ব্বতে গৃহীত হৈছিল। সমবায় ব্যৱস্থাটোক পুনৰুজ্জীৱিতকৰণৰ অৰ্থে মন্ত্ৰীগোট সমিতিৰ প্ৰতিবেদনখন ৰূপায়ণৰ বাবে পৰীক্ষা কৰি থকা হৈছে। অসমত হ্ৰস্বকালীন সমবায় ঋণ গাঠনিৰ পুনৰুজ্জীৱিতকৰণৰ অৰ্থে কাৰ্য্য-ব্যৱস্থা হাতত লোৱা হৈছে যাতে গাওঁ পঞ্চায়ত সমবায় সমিতিসমূহে নতুন বিত্তৰ বাবে যোগ্যতা লাভ কৰে। সমবায় ব্যৱস্থাপনাৰ অসম ৰাজীৱ গান্ধী বিশ্ববিদ্যালয়খন শিৱসাগৰত স্থাপন কৰা হ'ব। ২৪৮৬ খন বহুমুখী মহিলা সমবায় সমিতি আৰু সকলোবোৰ গাওঁ পঞ্চায়ত সমবায় সমিতিলৈ মঞ্জুৰী প্ৰদান কৰা হ'ব। ক্ৰমাম্বয়ে বৃদ্ধি পাই অহা গৃহৰ চাহিদা পূৰণ কৰাৰ অৰ্থে ''হাউছফেড'' ক সঠিকৰূপত শক্তিশালী কৰা হ'ব।

**ভূমি সংৰক্ষণ ঃ**

মোৰ চৰকাৰ ভূমি আৰু জল ব্যৱস্থাপনা সম্পৰ্কীয় আঁচনিসমূহৰ ৰূপায়ণত নিয়োজিত হৈ আছে। খহনীয়া আৰু ভূমিৰ ক্ষতি ৰোধ কৰাৰ অৰ্থে বিভিন্ন কাম-কাজ, যেনে- জলচ্ছেদ ব্যৱস্থাপনা, নদী-প্ৰশিক্ষণ, নৈৰ পাৰৰ খহনীয়া নিয়ন্ত্ৰণ, বনানীকৰণ, নগদীশস্য ৰোপন আৰু ঝুম খেতি নিয়ন্ত্ৰণৰ ব্যৱস্থা হাতত লোৱা হৈছে। আঁচনিসমূহৰ গ্ৰহণ আৰু ৰূপায়ণত জলবায়ু পৰিবৰ্ত্তনৰ প্ৰয়োজনীয়তাৰ প্ৰতি গুৰুত্ব দিয়া হ'ব। অসম ৰোপন শস্য উন্নয়ন নিগম লিমিটেড্‌ৰ পুনৰুজ্জীৱিতকৰণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। সংহত জলচ্ছেদ উন্নয়ন আঁচনিৰ কেন্দ্ৰীয় পৃষ্ঠপোষকতাৰ আঁচনিখনৰ ৰূপায়ণৰ বাবে ভূমি সংৰক্ষণ বিভাগক মূল বিভাগ হিচাপে মনোনীত কৰা হৈছে।

**পৰিবেশ আৰু বন ঃ**

জলবায়ু পৰিবৰ্ত্তন আৰু গোলকীয় উষ্ণতাৰ কু-ফল সম্পৰ্কে মোৰ চৰকাৰ উদ্বিগ্ন আৰু মোৰ চৰকাৰে পৰিবেশ সুৰক্ষাৰ বাবে জনসাধাৰণৰ মাজত সজাগতাৰ সৃষ্টি কৰিব। মোৰ চৰকাৰে অসমৰ সেউজীকৰণ বৃদ্ধি কৰাৰ অৰ্থে ব্যাপক বনানীকৰণৰ আঁচনি হাতত ল'ব। ঔষধী আৰু সুগন্ধী গছ ৰোপনৰ বাবে প্ৰকল্প হাতত লোৱা হ'ব। কৃষকসকলক অৰ্থনৈতিক লাভালাভ প্ৰদান কৰাৰ অৰ্থে ব্যাপকভাবে বাঁহ-গছ ৰোপনৰ বাবে বিশেষ ব্যৱস্থা হাতত লোৱা হ'ব। যুটীয়া বন পৰিচালনাৰ পদক্ষেপ অব্যাহত ৰখা হ'ব আৰু বন উন্নয়ন অভিকৰণ সমূহৰ দ্বাৰা হাতত লোৱা আঁচনিসমূহৰ যথাযথ ৰূপায়ণ আৰু পৰ্য্যবেক্ষণ সুনিশ্চিতকৰণৰ অৰ্থে এখন ৰাজ্যিক বন উন্নয়ন অভিকৰণ গঠন কৰা হৈছে।

বন্য প্ৰাণী সুৰক্ষাৰ বাবে দৃঢ় পদক্ষেপ গ্ৰহণ কৰা হ'ব। বন্যপ্ৰাণীৰ চোৰাং চিকাৰ ৰোধ কৰাৰ অৰ্থে বন্য প্ৰাণী (সুৰক্ষা) আইন, ১৯৭২ খন সংশোধন কৰি বন্য প্ৰাণীৰ বিৰুদ্ধে অপৰাধত লিপ্ত হোৱা লোকৰ শাস্তি অধিক কঠোৰ কৰি তুলিছে। ইয়াৰ ফলত এনে লোকক যাৱজীৱন কাৰাদণ্ড বিহিবলৈ এনে অপৰাধ সমূহক বিচাৰৰ যোগ্য কৰিবলৈ আৰু জামিন বিহীন অপৰাধ হিচাপে গন্য কৰিবলৈ বিচৰা হৈছে। বন সুৰক্ষা বাহিনীক প্ৰশিক্ষণ দিয়া হ'ব আৰু ইয়াক আধুনিকীকৰণ কৰি শক্তিশালী কৰি তোলা হ'ব।

**ৰাজহুৱা উদ্যোগ ঃ**

আসাম্ গভৰ্নেন্স্ এণ্ড পাবলিক ৰিচৰ্চ মেনেজমেণ্ট্ আঁচনিৰ অধীনত এচিয়ান্ ডেভেলাপমেণ্ট বেংকৰ অৰ্থৰ সাহায্যৰে ৰাজ্যৰ ৰাজহুৱা খণ্ডৰ উদ্যোগসমূহৰ সংস্কাৰৰ বাবে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰা হৈছে। যোৱা বছৰ দক্ষতা বৃদ্ধি ৰাজ্যিক পৰ্য্যায়ৰ ৰাজহুৱা উদ্যোগ সমূহত জীৱিকাবাদৰ ওপৰত গুৰুত্ব আৰু ৰাজহুৱা উদ্যোগ বিভাগৰ কাৰিকৰী কোষৰ শক্তিশালীকৰণৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছিল। ৰাজ্যিক পৰ্য্যায়ৰ ৰাজহুৱা উদ্যোগসমূহৰ কাম-কাজ, দায়বদ্ধতা আৰু চোৱা-চিতা কৰা কামসমূহক উন্নত কৰাৰ অৰ্থে বহিঃ ব্যৱস্থাপনা প্ৰতিষ্থান সমূহৰ সেৱা সমূহ লাভ কৰি বুজাবুজিৰ চুক্তিৰ ব্যৱস্থা আৰু ট্ৰেইনিং নিড্ এনালাইচিচ্ প্ৰৱৰ্ত্তন কৰা হ'ব। আটাইতকৈ ভাল কাম কৰা ৰাজ্যিক পৰ্য্যায়ৰ ৰাজহুৱা উদ্যোগসমূহক পুৰস্কৃত কৰা হ'ব। কেতবোৰ উদ্ভাৱণীমূলক আঁচনি গ্ৰহণ কৰা হ'ব। সেইবোৰ হ'ল ঃ- এম্ আই. এছ. ৰ উন্নয়ণ আৰু হিচাপ (গণনা) ৰ কম্পিউটাৰাইজেছন্ ৰ অৰ্থে কেতবোৰ ৰাজ্যিক পৰ্য্যায়ৰ ৰাজহুৱা উদ্যোগত তথ্যপ্ৰযুক্তিৰ আন্তঃগাথনিৰ শক্তিশালী কৰণ, ৰাজ্যিক পৰ্য্যায়ৰ ৰাজহুৱা উদ্যোগসমূহৰ আই. এচ. অ. চাৰ্টিফিকেচন্ আৰু প্ৰযুক্তিগত উন্নীতকৰণ আদি। কৰ্মচাৰীসকলৰ স্বাৰ্থত বৃত্তিগত দুৰ্যোগ হ্ৰাস কৰাৰ অৰ্থে কৰ্মস্থলীত যথাযথ নিৰাপত্তামূলত ব্যৱস্থা প্ৰৱৰ্ত্তন কৰাৰ বাবে ৰাজ্যিক পৰ্য্যায়ৰ ৰাজহুৱা উদ্যোগসমূহক সজাগ তথা সক্ৰিয় কৰি তোলা হ'ব।

**উদ্যোগ আৰু বাণিজ্য ঃ**

গেছ ক্ৰেকাৰ প্ৰকল্পটো ক্ষীপ্ৰতাৰে সম্পূৰ্ণ কৰি তোলাতো সুনিশ্চিত কৰাৰ অৰ্থে সকলো ব্যৱস্থা গ্ৰহণ কৰা হ'ব। ব্যাপক নিয়োগৰ সুবিধা সৃষ্টি কৰাৰ অৰ্থে গেছ ক্ৰেকাৰ প্ৰকল্পৰ কেচা সামগ্ৰীৰ ওপৰত নিৰ্ভৰ কৰি নিম্নবাহী উদ্যোগসমূহৰ স্থাপনত সহায়ক হোৱাকৈ এখন প্লাষ্টিক উদ্যান স্থাপন কৰা হ'ব। নলবাৰী জিলাৰ নাথকুছিত মেগাফুটপাৰ্ক, ছয়গাওঁত খাদ্য প্ৰক্ৰিয়াকৰণ পাম, তিনিচুকীয়াত বাহ উদ্যান,



গোৱালপাৰাত কল উদ্যান, নগাওঁত মৰাপাট উদ্যান আৰু চিপাঝাৰত বস্ত্ৰ উদ্যান ক্ষীপ্ৰতাৰে সম্পূৰ্ণ কৰি তোলা হ'ব। কেন্দ্ৰীয় খণ্ডত যোৰহাটত ডিজাইনৰ ৰাষ্ট্ৰীয় প্ৰতিষ্ঠান, শিৱসাগৰত পেট্ৰোলিয়াম প্ৰযুক্তিৰ ৰাজীৱ গান্ধী প্ৰতিষ্ঠান আৰু গুৱাহাটীত ফেচন প্ৰযুক্তিৰ ৰাষ্ট্ৰীয় প্ৰতিষ্ঠান স্থাপন কৰা হ'ব। অসমত উদ্যোগীক উন্নয়ণ ক্ষীপ্ৰতৰ কৰি তোলাৰ অৰ্থে ব্যক্তিগত বিনিয়োগ (ঘৰুৱা আৰু বৈদেশীক দুয়োটা)ক উৎসাহিত কৰা হ'ব। ব্যক্তিগত খণ্ডৰ সহযোগত বকোত এটা এগ্ৰি-হাব্ আৰু এটা এগ্ৰি প্ৰচেছিং জোন্ স্থাপন কৰা হ'ব।

ব্যাপক নিয়োগৰ সুবিধাৰ সৃষ্টিৰ অৰ্থে স্থানীয় পৰম্পৰাগত উদ্যোগসমূহক পুনৰুজ্জীবিত কৰাৰ বাবে বিশেষ ব্যৱস্থা হাতত লোৱা হ'ব।সোণাৰী, মৃৎ শিল্পী, কাঁহ-পিতলৰ বাচন বনোৱা শিল্পী, হস্ত শিল্পী আৰু বোৱনী সকলৰ অৰ্থনৈতিক উন্নয়নৰ প্ৰতি বিশেষ মনোযোগ দিয়া হ'ব। প্ৰধানমন্ত্ৰী ৰোজগাৰ যোজনা, উদ্যোগজ্যোতি আঁচনি আৰু জীৱনজ্যোতি স্ব-নিয়োজন আঁচনিৰ অধীনত নিয়োগৰ সুবিধা সৃষ্টি কৰা হ'ব। অসম বিকাশ যোজনাৰ অধীনত যুৱক-যুৱতীৰ দক্ষতা বৃদ্ধি, গ্ৰাম্য যুৱক-যুৱতীলৈ বচা-বচা খণ্ডত সা-সজুলি আৰু যন্ত্ৰৰ ব্যৱস্থা আৰু মুখ্যমন্ত্ৰীৰ কৰ্মজ্যোতি আঁচনিৰ অধীনত থকা আত্ম সহায়ক গোটসমূহৰ কাম-কাজ অব্যাহত ৰখা হ'ব। ক্ষুদ্ৰ চাহ খেতিয়কসকলৰ বাবে এক বিশেষ পেকেজ হাতত লোৱা হ'ব আৰু তেওঁলোকে সন্মুখীন হোৱা সমস্যাসমূহ সমাধানৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

**হস্ত তাঁত, বয়ন আৰু ৰেচম ঃ**

ৰাজ্যখনৰ জনসাধাৰণৰ আৰ্থ-সামাজিক উন্নয়নত হস্ততাঁত, বয়ন আৰু ৰেচমৰ এক গুৰুত্ব পূৰ্ণ ভূমিকা আছে।নিয়োগ আৰু জীৱিকা বিষয়ত কৃষিৰ পিছতে এই খণ্ডটোৰে দ্বিতীয় স্থানত আছে। এই খণ্ডৰ উন্নয়নাৰ্থে কিছুসংখ্যক আঁচনি ৰূপায়ণ কৰি থকা হৈছে। অসম বিকাশ যোজনাৰ অধীনত গৰীব জনসাধাৰণলৈ সূতা আৰু কম্বলৰ যোগানৰ জৰিয়তে সাহায্য আগবঢ়াই থকা হৈছে। বিণামূলীয়া তাঁতশাল আৰু ইয়াৰ আহিলাপাতি, সংহত হস্ততাঁত উন্নয়ন আঁচনি, আৰ্থিক উন্নীতকৰণ আঁচনি, বোৱনী সকলৰ বাবে জীৱন বীমা আঁচনি আৰু হস্ত তাঁত উৎপাদিত সামগ্ৰীসমূহৰ বিপননক উৎসাহিত কৰাৰ বাবে বিপনন উদগনি আঁচনি আকাৰে সাহায্য অনুদানৰ অন্যান্য আঁচনি সমূহ ৰূপায়ণ কৰি থকা হৈছে। এই আঁচনি সমূহ চলাই থকা হ'ব। বিভিন্ন প্ৰাথমিক সামগ্ৰীসমূহ সুলভ কৰাৰ বাবে বোৱনী সকলক পৰ্য্যাপ্ত ৰাজসাহায্য প্ৰদান কৰা হ'ব।

অ–নুনি পাট উৎপাদনত অসমে সমগ্ৰ দেশৰ ভিতৰতে শীৰ্ষ স্থানত আছে আৰু বৰ্তমান দেশখনৰ ৯৯% মূগা পাট আৰু ৬৫% এড়ি পাট উৎপাদন কৰি আছে। এই পাট সমূহৰ আন্তঃৰাষ্ট্ৰীয় তথা সমগ্ৰ দেশতে এক সুন্দৰ বজাৰ আছে। প্ৰায় ২.৩৯ লাখ পৰিয়ালে পাট উৎপাদনী কাম কাজৰ জৰিয়তে তেখেত সকলৰ জীৱিকা অৰ্জন কৰি আছে। এই খণ্ডটোৰ গুৰুত্ব অনুধাৱণ কৰি মোৰ চৰকাৰে এড়ি, মূগা আৰু পাট সূতাৰ উৎপাদন বৃদ্ধি কৰিবলৈ এটা সোণালী পাট প্ৰকল্পৰ বাবে বিশেষ পুঁজি গঠন কৰিব। মূগা বয়ণৰ উৎপাদন বৃদ্ধি আৰু এই সামগ্ৰী সমূহৰ ৰপ্তানীত বিশেষ পদক্ষেপ গ্ৰহণ কৰিবলৈ ৰাজ সাহায্য প্ৰদান কৰা হ'ব।

**স্বাস্থ্য আৰু পৰিয়াল কল্যাণ ঃ**

অসমৰ জনসাধাৰণক গুণগত স্বাস্থ্য প্ৰযত্ন সা–সুবিধাসমূহ প্ৰদান কৰিবলৈ আমি দায়বদ্ধ আৰু এই লক্ষ্য আগত ৰাখি প্ৰাথমিক, মাধ্যমিক আৰু একেবাৰে নিম্ন ধাপত কিছু সংখ্যক আঁচনি হাতত লোৱা হৈছে। যোৰহাট আৰু বৰপেটাত নতুনকৈ স্থাপন কৰা চিকিৎসা মহাবিদ্যালয়ৰ নিৰ্মাণ কাৰ্য্য ইতিমধ্যে সম্পূৰ্ণ হৈছে আৰু যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ পাঠদান আৰম্ভ হৈছে। ডিফু, নগাওঁ, কোকৰাঝাৰ, লক্ষীমপুৰ আৰু ধুবুৰীত পাচখন নতুন চিকিৎসা মহাবিদ্যালয় স্থাপন কৰা হ'ব। গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ২০০খন বিচনাযুক্ত কৰ্কটৰোগৰ হাস্পাতাল নিৰ্মাণৰ লগতে নিৰ্মীয়মান অৱস্থাত থকা এখন চুপাৰ স্পেচিয়েলেটি হাস্পাতালৰ কাম ক্ষীপ্ৰতাৰে সম্পূৰ্ণ কৰা হ'ব। ৬০ টা বিধানসভা সমষ্টিৰ গ্ৰামাঞ্চলত নিৰ্মাণ কৰি থকা ৬০খন আদৰ্শ চিকিৎসালয়ৰ উপৰিও অন্যান্য বিধানসভা সমষ্টিতো তেনেধৰণৰ আদৰ্শ চিকিৎসালয় নিৰ্মাণৰ কাম হাতত লোৱা হ'ব। এইডচ ৰোগী সকলৰ সাহায্য আৰু চিকিৎসা উপলব্ধ কৰণ কৰিবলৈ ১৫২ টা সংহত পৰামৰ্শ আৰু পৰীক্ষা কেন্দ্ৰ সহিতে অসমত ৮টা যোগসূত্ৰ কেন্দ্ৰ সহ ৩টা এ. আৰ টি. কেন্দ্ৰই কাম–কাজ চলাই আছে। পৰীক্ষাৰ সা–সুবিধা সমূহ স্থাপন কৰা হৈছে আৰু এটা জৈৱিক সুৰক্ষা, পৰ্য্যায়–III ভাইৰোল'জি পৰীক্ষাগাৰ তথা জেনেটিক পৰীক্ষাগাৰ স্থাপন কৰি থকা হৈছে। 'সাৰথি–১০৪' স্বাস্থ্য তথ্য হেল্পলাইন আৰু 'সঞ্জীৱনী'ৰ লেখীয়া উদ্ভাৱনীমূলক আঁচনি সমূহ ৰূপায়িত হৈ আছে। বিভিন্ন পৰ্য্যায়ৰ ৪৯৮ খন চিকিৎসালয়ত অহৰ্নিশে সেৱা পৰ্য্যাপ্তকৰণ কৰা হৈছে।

যোৰহাট চিকিৎসা মহাবিদ্যালয়ত ১০০ জন ছাত্ৰ–ছাত্ৰীৰ শিক্ষাদান কাৰ্য্য আৰম্ভ কৰাৰ লগে লগে চিকিৎসা মহাবিদ্যালয় সমূহত এম বি বি এচৰ আসনৰ সংখ্যা ২০১০ চনৰ পৰা ৪২৬ ৰ পৰা ৫২৬ খনলৈ বৃদ্ধি হৈছে। ৰাজ্যত বিভিন্ন শাখাৰ



স্নাতকোত্তৰ আসনৰ সংখ্যা ৪০ শতাংশলৈ বৃদ্ধি হৈছে। নাৰ্চিংৰ এম. এচ. চি. পাঠ্যক্ৰম নতুনকৈ আৰম্ভ কৰা হৈছে আৰু বি. এচ. চি. নাৰ্চিং পাঠ্যক্ৰমৰ আসন ২৫ৰ পৰা ৬০খনলৈ বৃদ্ধি হৈছে। নাৰ্চিং কৰ্মীৰ অভাৱ পূৰাবলৈ বি. এচ. চি. নাৰ্চিং মহাবিদ্যালয় আৰু জি. এন. এম বিদ্যালয় স্থাপনৰ কাম ক্ষীপ্ৰতৰ কৰা হ'ব। এম–ফাৰ্মা পাঠ্যক্ৰম আগবঢ়াবলৈ গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পাতালত এখন ৰাষ্ট্ৰীয় ফাৰ্মাচিউটিকেল চায়েন্স প্ৰতিষ্ঠান আৰম্ভ কৰা হৈছে। বিকল্প ভেষজৰ এক সঞ্চালকালয় (AYUSH) স্থাপন কৰা হ'ব। স্বাস্থ্যখণ্ডলৈ অধিক বিনিয়োগ অনাৰ বাবে মোৰ চৰকাৰে এখন অসম চিকিৎসা উন্নয়ন নিগম স্থাপন কৰিব।

অসমৰ জনসাধাৰণলৈ গুণগত স্বাস্থ্য প্ৰযত্ন সেৱা সমূহ আগবঢ়াবলৈ মোৰ চৰকাৰ দায়বদ্ধ। বৰ্তমানে থকা উপস্বাস্থ্য কেন্দ্ৰসমূহ শক্তিশালী কৰণৰ উপৰিও নতুন নতুন এলেকাত আৰু অধিক তেনেকুৱা কেন্দ্ৰ স্থাপন কৰা হ'ব। ৰাষ্ট্ৰীয় গ্ৰাম্য স্বাস্থ্য অভিযানৰ অধীনৰ সকলোবোৰ আঁচনি ক্ষীপ্ৰভাৱে ৰূপায়ণ কৰা হ'ব। স্বাস্থ্য সেৱাৰ ব্যৱস্থাৱলীত চৰঅঞ্চলত বাস কৰা লোক, চাহ–জনজাতি, সংখ্যালঘু সকলে বসবাস কৰা অঞ্চল আৰু পাৰ্ব্বত্যাঞ্চল তথা আওঁহতীয়া অঞ্চলত বসবাস কৰা লোক সকলৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হ'ব। ২৩খন জিলাত আৰম্ভ কৰা ভ্ৰাম্যমান চিকিৎসা প্ৰযত্ন গোটৰ সেৱা ৰাজ্যখনৰ সকলোবোৰ মহকুমাতে আৰম্ভ কৰা হ'ব। চৰ অঞ্চলত বসবাস কৰা লোক সকলৰ বাবে আধুনিক নাওঁ এম্বুলেন্স সেৱা আৰম্ভ কৰা হ'ব। বাগিচা অঞ্চলৰ সেৱাৰ উন্নতিকল্পে চাহ বাগিচা চিকিৎসালয় সমূহক সাহায্যপ্ৰদান প্ৰদান কৰি থকা হৈছে। উন্নত সেৱা প্ৰদানত সহায়ক হোৱাকৈ আশা কৰ্মীসকলৰ সেৱাৰ অৱস্থা সমূহ উন্নত কৰা হ'ব।

২০১০ চনৰ অবিৰত প্ৰচেষ্টাৰ ফলশ্ৰুতিত শিশুৰ সম্পূৰ্ণ প্ৰতিষেধক টিকাকৰণৰ শতাংশ ৮৬.৬ লৈ বৃদ্ধি হৈছে। ২০১০–১১ বৰ্ষত প্ৰাতিষ্ঠানিক প্ৰসবৰ সংখ্যা ৪.১৮ লাখলৈ বৃদ্ধি হৈছে। মাতৃ মৃত্যুৰ হাৰ হ্ৰাস কৰাটো আমাৰ লক্ষ্য। এইচ. আই. ভি. আক্ৰান্ত শিশুৰ বাবে এটা বিশেষ প্ৰযত্ন আৱাস স্থাপন কৰা হ'ব। জন্মগত হৃদযন্ত্ৰৰ অসুখ তথা ফটাওঠ আৰু তালু থকা শিশুৰ বিশেষ চিকিৎসা চলি থাকিব। যক্ষ্মা আৰু মেলেৰিয়াত আক্ৰান্ত ৰোগীলৈ পৰিপুষ্টি সাহায্য আগবঢ়োৱা হ'ব। দুখীয়া ৰোগীলৈ বিনামূলীয়া পেচমেকাৰ আৰু হৃদযন্ত্ৰৰ কপাৎ উপলব্ধ কৰা তথা বৃক্ক ৰোগত আক্ৰান্ত জনলৈ বিনামূলীয়া ঔষধ প্ৰদান, কৰ্কটৰোগত আক্ৰান্ত ৰোগীলৈ কেম'থেৰাপী প্ৰদান আৰু বিনামূলীয়া কাৰ্ডিয়াক চাৰ্জাৰীৰ কাৰ্য্যসূচী সমূহ অবিৰত ভাৱে চলি থাকিব।

**গড়কাপ্তানি ঃ**

অসমত সকলো বতৰৰ উপযোগী পথ সংযোগ উপলব্ধ কৰোৱাটো মোৰ চৰকাৰৰ এক অগ্ৰাধিকাৰৰ বিষয়। প্ৰধান মন্ত্ৰীৰ গ্ৰাম চড়ক যোজনা, অসম কৃষি প্ৰতিযোগিতামূলক প্ৰকল্প, মুখ্যমন্ত্ৰীৰ পকীপথ নিৰ্মাণ আঁচনি, গ্ৰাম্য আন্তঃগাথনি উন্নয়ন পুঁজি, কেন্দ্ৰীয় অপৰিশোধেয় পুঁজি শিতান, কেন্দ্ৰীয় পথ পুঁজি, অসম বিকাশ যোজনা আৰু মুখ্যমন্ত্ৰীৰ পকীদলং নিৰ্মাণ আঁচনিৰ লেখীয়া বিভিন্ন আঁচনিৰ অধীনত জনবসতি অঞ্চল, নগৰ আৰু গুৰুত্বপূৰ্ণ স্থান সমূহলৈ সকলো বতৰৰ বাবে উপযোগী পথ সংযোগ আগবঢ়াবলৈ এতিয়ালৈকে ১৬,০০০ কিঃ মিঃ পথৰ পকীকৰণ আৰু ১,৬০০ খন পকী দলং নিৰ্মাণ কৰা হৈছে। ৮,০০০ কিঃ মিঃ ৰ অধিক পথ আৰু ১,৪০০ খন পকীদলঙৰ নিৰ্মাণ কাৰ্য্য আগবাঢ়িছে। এচ. এ. আৰ. পি. – এন. ই ৰ অধীনত ১০০০ কিঃ মিঃ ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক ঘাইপথৰ নিৰ্মাণ কাৰ্য্য হাতত লোৱা হ'ব। এই কাম সমূহ দ্ৰুত ভাবে সম্পূৰ্ণ কৰিবলৈ যথা সম্ভৱ সকলো পদক্ষেপ গ্ৰহণ কৰা হ'ব। ৰাজ্যিক ঘাইপথৰ নিৰ্মাণ তথা উন্নীতকৰণ আৰু জিলা তথা মহকুমা সদৰ সংযোগী প্ৰধান জিলাপথসমূহ নিৰ্মাণত অগ্ৰাধিকাৰ প্ৰদান কৰা হ'ব। মোৰ চৰকাৰে সকলোবোৰ গাৱঁলৈ ৰাষ্ট্ৰীয় ঘাই পথৰ সৈতে সকলো বতৰৰ উপযোগী পথ সংযোগ ব্যৱস্থা উপলব্ধ কৰিব আৰু বৰ্তমানে থকা ২,৩৪১ খন কাঠৰ দলং পকী দলঙলৈ ৰূপান্তৰ কৰিব।

গুৱাহাটীৰ যান–জটৰ সমস্যাটো নিৰাময় কৰিবলৈ ভঙাগড় আৰু ছয়মাইলৰ চাৰিলেন যুক্ত উৰনীয়াসেতু তথা আঠগাওঁ আৰু মালিগাৱঁত দুইলেনযুক্ত উৰনীয়া সেতু নিৰ্মাণ কৰি যানবাহনৰ বাবে মুকলি কৰা হৈছে। পানবজাৰত অইন এখন দুইলেন যুক্ত উৰনীয়া সেতু নিৰ্মাণ কৰি থকা হৈছে। বিভিন্ন চিকিৎসা আৰু অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ নিৰ্মাণ, অসম বিধান সভা ভৱন আৰু অন্যান্য চৰকাৰী কাৰ্য্যলয়ৰ নিৰ্মাণ সমূহ ক্ষীপ্ৰতাৰে সম্পূৰ্ণ কৰা হ'ব। দক্ষতাৰ উন্নয়নাৰ্থে কম্পিউটাৰ কৰণ কৰা হৈছে আৰু অধিক স্বচ্ছতা আনিবৰ বাবে ই-নিবিদা ব্যৱস্থাৰ প্ৰাৰম্ভণ কৰা হৈছে।

**জনস্বাস্থ্য কাৰিকৰী ঃ**

মোৰ চৰকাৰ ৰাজ্যখনৰ সকলো জনসাধাৰণলৈ পৰ্য্যাপ্ত বিশুদ্ধ খোৱাপানী যোগান ধৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ। ভাৰত নিৰ্মাণ আঁচনিৰ অধীনত সামৰি নোলোৱা আৰু আংশিক ভাৱে সামৰা জনজাতি অধ্যুষিত সামৰি লৈ থকা হৈছে আৰু সম্পূৰ্ণ পানীযোগানৰ সা–সুবিধা প্ৰদান কৰি থকা হৈছে। পানীৰ গুণগত মানদণ্ডৰ দিশত আক্ৰান্ত হোৱা জনবসতি অঞ্চলত বৈকল্পিক উৎস আৰু যথা যথ নিৰাময়ৰ ব্যৱস্থা গ্ৰহণেৰে গুণগত সমস্যা আতৰাই থকা হৈছে। আঁচনিখনৰ অধীনত বাকী থকা



সামৰি নোলোৱা, আংশিকভাৱে সামৰা আৰু গুণগত মানদণ্ডত আক্ৰান্ত জনবসতি অঞ্চলসমূহক সামৰি লবলৈ বিচৰা হৈছে। বিশুদ্ধ খোৱা পানী আৰু অনাময় ব্যৱস্থা উপলব্ধকৰণৰ ক্ষেত্ৰত ঢুকি নোপোৱা অঞ্চল, চাহ বাগিচা অঞ্চল, চৰ-চাপৰি অঞ্চল আৰু অনুসূচীত জাতি তথা অনুসূচীত জনজাতি অধ্যুষিত অঞ্চল সমূহক অগ্ৰাধিকাৰ প্ৰদান কৰা হ'ব। সকলো দাৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা পৰিয়াললৈ নিম্ন ব্যয়ৰ অনাময় সুবিধা আগবঢ়াবলৈ পদক্ষেপ গ্ৰহণ কৰা হ'ব। এতিয়ালৈকে বিশুদ্ধ খোৱাপানী যোগান আৰু অনাময় ব্যৱস্থা প্ৰদান নকৰা শৈক্ষিক প্ৰতিষ্ঠান আৰু অংগনৱাড়ী কেন্দ্ৰ সমূহলৈ এই সুবিধা প্ৰদান কৰা হ'ব।

**শিক্ষা ঃ**

মোৰ চৰকাৰে গুণগত শিক্ষা আৰু দক্ষতাৰ উন্নয়ন উপলব্ধ কৰাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিব। এই প্ৰক্ৰিয়াটোত শিক্ষক, ছাত্ৰ-ছাত্ৰী, শিক্ষাবিদ, কাৰিকৰী বিশেষজ্ঞ ইত্যাদিৰ লেখীয়া বিভিন্ন শাখা সমূহৰ গুৰুত্ব চৰকাৰখনে অনুধাৱন কৰিছে। চৰকাৰখনে গুণগত শিক্ষাৰ উন্নয়ন আৰু কাৰিকৰী তথা অন্যান্য দক্ষতাৰ উন্নয়নত অৰিহনা যোগাব পৰাকৈ প্ৰাতিষ্ঠানিক অবয়ব সৃষ্টি কৰিবলৈ প্ৰস্তাব গ্ৰহণ কৰিছে। নীতি প্ৰণয়ন, শৈক্ষিক প্ৰতিষ্ঠান সমূহক সহায় আৰু কাৰিকৰী তথা বৃত্তিমূলক শিক্ষাৰ উৎকৰ্ষ সাধনৰ বাবে এখন জ্ঞান আয়োগ, এখন শিক্ষা সংসদ আৰু এখন শৈক্ষিক উন্নয়ন নিগম গঠন কৰা হ'ব। এখন ৰাজ্যিক শিক্ষক পৰিষদ আৰু এখন ছাত্ৰ-ছাত্ৰী পৰামৰ্শ পৰিষদো গঠন কৰা হ'ব।

২০০১ চনৰ পৰা ছাত্ৰ-ছাত্ৰী সকলৰ পাৰদৰ্শিতাৰ দিশত এক চকুত লগা উন্নতি দেখা গৈছে। ২০০১ চনৰ পৰা ২০১১ চনৰ ভিতৰত হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীৰ হাৰ ৩৩ %ৰ পৰা ৭০.৩৮% লৈ, হাই মাদ্ৰাছাৰ ২৮% পৰা ৭৬.৮৪ %লৈ, উচ্চতৰ মাধ্যমিক-কলা শাখাৰ ৪৮% ৰ পৰা ৭৩.১৪ % লৈ, উচ্চতৰ মাধ্যমিক-বানিজ্য শাখাৰ ৫৮%ৰ পৰা ৭৯.৮১% লৈ আৰু উচ্চতৰ মাধ্যমিক-বিজ্ঞান শাখাৰ ৫৩%ৰ পৰা ৮৭.৩২% লৈ বৃদ্ধি হৈছে। তথ্য প্ৰযুক্তি, জৈৱ প্ৰযুক্তি ইত্যাদিৰ লেখীয়া গুৰুত্বপূৰ্ণ ক্ষেত্ৰ সমূহত নতুন পাঠ্যক্ৰম আৰম্ভ কৰা হৈছে।

উচ্চ শিক্ষাৰ পৰিসৰ বৃদ্ধি কৰিবলৈ গুৱাহাটী বিশ্ববিদ্যালয়, ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়নাৰ্থে বিত্তীয় সাহায্য আগবঢ়োৱা হৈছে। জামিয়া মিলিয়া বিশ্ববিদ্যালয় আৰু আলিগড় মুছলিম বিশ্ববিদ্যালয়ৰ চৌহদ স্থাপনৰ বাবে পদক্ষেপ গ্ৰহণ কৰা হ'ব। যোৰহাট আভিযান্ত্ৰিক মহাবিদ্যালয়, অসম

আভিযান্ত্রিক মহাবিদ্যালয় তথা বৰ্ত্তমানে থকা ন খন প'লিটেকনিকৰ আন্তঃগাঠনি উন্নয়নৰ কামো হাতত লোৱা হৈছে। ৰাজ্যখনৰ মহিলা শিক্ষা উন্নয়নৰ বাবে এখন মহিলা বিশ্ববিদ্যালয় স্থাপন কৰা হ'ব। গোলাঘাট, ধেমাজি, বঙাইগাওঁ, নগাওঁ, কোকৰাঝাৰ, বৰাক উপত্যকা আৰু পাৰ্বত্য এলেকাত আভিযান্ত্রিক মহাবিদ্যালয় স্থাপন কৰা হ'ব। এখন জ্ঞান মহানগৰ আৰু বিজ্ঞান আৰু প্রযুক্তিৰ এখন প্রতিষ্ঠানো স্থাপন কৰা হ'ব। হাইলাকান্দি, ধুবুৰী আৰু বৰপেটা জিলাত পলিটেকনিক স্থাপন কৰা হ'ব। গুৱাহাটীত এখন আন্তৰ্জাতিক মানদণ্ডৰ বিশ্ববিদ্যালয় স্থাপনৰ বাবে পদক্ষেপ লোৱা হ'ব। নলবাৰীত কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰণি ভাষাৰ অধ্যয়নৰ বিশ্ববিদ্যালয় স্থাপন কৰা হ'ব।

শিক্ষা অধিকাৰ আইন ৰূপায়ণৰ জৰিয়তে বুনিয়াদী শিক্ষাক সাৰ্বজনীন কৰিবলৈও মোৰ চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিব। সৰ্ব শিক্ষা অভিযান আৰু ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযানৰ জৰিয়তে বুনিয়াদী আৰু মাধ্যমিক শিক্ষাৰ প্ৰতিষ্ঠান সমূহক শক্তিশালী কৰা হ'ব। শৈক্ষিক ভাবে পিচপৰা প্ৰতিটো খণ্ডত একোখনকৈ আদৰ্শ বিদ্যালয় আৰু ছাত্ৰীৰ বাবে একোটিকৈ ছাত্ৰী নিবাস স্থাপন কৰা হ'ব। সাক্ষৰ ভাৰত আঁচনিৰ জৰিয়তে প্ৰাপ্তবয়স্ক শিক্ষা বিশেষকৈ মহিলা আৰু অন্যান্য দুৰ্বল শ্ৰেণী সমূহৰ প্ৰসংগৰ ওপৰত গুৰুত্ব প্ৰদান কৰি ইয়াক উন্নীত কৰা হ'ব। মাধ্যমিক পৰ্য্যায়ত অক্ষম সকলৰ বাবে অন্তৰ্ভূক্তি শিক্ষা (আই ই ডি এচ এচ) ৰ জৰিয়তে পৃথক ভাবে সক্ষম শিশু আৰু প্ৰাপ্ত বয়স্ক সকলৰ শৈক্ষিক প্ৰয়োজনীয়তাক গুৰুত্ব প্ৰদান কৰা হ'ব।

বিনামূলীয়া পাঠ্যপুথি বিতৰণ আৰু বিনামূলীয়া মধ্যাহ্ন ভোজনৰ আঁচনি সমূহ চলি থাকিব। চৰ অঞ্চল, সংখ্যালঘু বসতি প্ৰধান অঞ্চল, চাহ জনজাতি বসতি অঞ্চল, অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি বসতি অঞ্চল, সীমান্ত অঞ্চল আৰু অন্যান্য আওঁহতীয়া অঞ্চলত শিক্ষাৰ পৰিসৰ বৃদ্ধিৰ ওপৰত গুৰুত্ব প্ৰাদান কৰা হ'ব। মন্ত্ৰী পৰিষদৰ বিশেষ মুখ্য গোট (Core Group) ৰ অনুমোদনাৱলীৰ ভিত্তিত মাহিলী সাহায্য অনুদান লাভ কৰি থকা আৰু ২০০৬ চনৰ আগতে স্থাপিত ভেঞ্চাৰ স্কুল সমূহক প্ৰাদেশিকীকৃত কৰা হ'ব। মাদ্ৰাছা শিক্ষা প্ৰতিষ্ঠান সমূহৰ উন্নয়নৰ বাবে অধিক বিত্তীয় সাহায্য আগবঢ়োৱা হ'ব আৰু সংখ্যালঘূ শিক্ষা পৰিষদ এখন গঠন কৰা হ'ব। চকুত লগা পাৰদৰ্শিতা দেখুওৱা বিদ্যালয় সমূহ আৰু ইয়াৰ শিক্ষক সকলক নগদ পুৰস্কাৰৰ উদগনি আগবঢ়োৱা হ'ব। সংখ্যালঘূ ছাত্ৰ-ছাত্ৰী সকলৰ শৈক্ষিক জলপানিৰ পৰিমাণ বৃদ্ধি কৰা হ'ব আৰু উচ্চ শিক্ষা লাভৰ বাবে তেওঁলোকলৈ বিনা সূতৰ ঋণ পৰ্য্যাপ্ত ভাবে উপলব্ধ কৰা হ'ব।



**সমাজ কল্যাণ ঃ**

মহিলা সকলৰ সবলীকৰণ কৰিবলৈ মোৰ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। এই উদ্দেশ্যে এখন মহিলা উন্নয়ন পৰিষদ আৰু এখন মহিলা উদ্যোগী উন্নয়ন পৰিষদ গঠন কৰা হ'ব। মহিলা সকলৰ অধিকাৰ সুনিশ্চিত কৰিবলৈ অসম মহিলা আয়োগখন শক্তিশালী কৰা হ'ব। মহিলা সকলক সবলীকৰণ কৰাৰ অৰ্থে বৃত্তিমূলক প্ৰশিক্ষণ প্ৰদান কৰা হ'ব আৰু মহিলা আত্ম সহায়ক গোট সমূহলৈ অধিক বিত্তীয় সাহায্য আৰু সা-সুবিধা আগবঢ়োৱা হ'ব। গাৱঁৰ মহিলা সকলক অৰ্থনৈতিক ভাবে সবল কৰিবলৈ মুখ্য মন্ত্ৰীৰ মহিলা সমৃদ্ধি আঁচনিখনৰ ৰূপায়ণ অব্যাহত ৰখা হ'ব। প্ৰত্যেকটো উন্নয়ন খণ্ডতে একোটাকৈ মহিলা সংস্থা স্থাপন কৰা হ'ব। বাইদেউ, নবৌ, ন-বোৱাৰী আৰু ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় বিধবা পেঞ্চন আঁচনিৰ লেখীয়া মহিলা কেন্দ্ৰীক আঁচনি সমূহৰ ৰূপায়ণ অব্যাহত ৰখা হ'ব। এটা নিৰ্দ্দিষ্ট বয়সৰ দুখীয়া অবিবাহিত মহিলা আৰু দুখীয়া বিধবা সকলক কল্যাণ মূলক আঁচনি সমূহৰ পৰিধিৰ ভিতৰলৈ অনা হ'ব। কৰ্মৰত মহিলা আৰু ছাত্ৰীসকলৰ বাবে প্ৰয়োজনীয়তাৰ ভিত্তিত নিৰ্বাচিত স্থান সমূহত মহিলা আবাস নিৰ্মাণ কৰা হ'ব। মহিলা সকলৰ কাৰণে আশ্ৰয় গৃহ আৰু বৃদ্ধ মহিলা সকলৰ কাৰণে বৃদ্ধা আবাস নিৰ্মাণ কৰা হ'ব।

প্ৰতিটো শিশু বিশেষকৈ কন্যা শিশুৱে যাতে সঠিক পৰিপুষ্টি, স্বাস্থ্য প্ৰযত্ন, শিক্ষা আৰু আশ্ৰয় লাভ কৰে সেইটো নিশ্চিত কৰিবলৈ আমাৰ প্ৰয়াস অব্যাহত থাকিব। শিশুৰ সকলো প্ৰকাৰৰ উন্নয়নৰ দিশবোৰ চোৱাচিতা কৰাৰ অৰ্থে এখন শিশু উন্নয়ন পৰিষদ গঠন কৰা হ'ব। শিশুৰ অধিকাৰ সমূহৰ সুৰক্ষাৰ অৰ্থে শিশুৰ কাৰণে এখন ৰাজ্যিক আয়োগ স্থাপন কৰা হ'ব। শিশু আৰু মহিলা সকলক আন্তঃ সম্বন্ধীয় পৰিপুষ্টি আগবঢ়াবলৈ সংহত শিশু উন্নয়ন সেৱা (আই চি ডি এচ) আঁচনিখনৰ ৰূপায়ণ অব্যাহত ৰখা হ'ব। অসমত অংগনৱাড়ী কেন্দ্ৰৰ সংখ্যা বৃদ্ধি কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা কৰা হব। অংগনৱাড়ী কৰ্মী আৰু সহায়ক সকলৰ মাহেকীয়া পাৰিতোষিক বৃদ্ধি কৰা হ'ব আৰু সহায়ক সকলক চাইকেলো প্ৰদান কৰা হ'ব। শাৰীৰিক ভাবে প্ৰত্যাহ্বানৰ সন্মূখীন হোৱা ব্যক্তিসকলক নিবনুৱা ভাট্টা আৰু শাৰীৰিক ভাবে প্ৰত্যাহ্বানৰ সন্মূখীন হোৱা শিশুৰ পৰিয়াল সমূহলৈ ভাট্টা আগবঢ়োৱাৰ অৰ্থে আঁচনি হাতত লোৱা হৈছে। দাৰিদ্ৰ সীমা ৰেখাৰ তলৰ শ্ৰেণীৰ দুখীয়া পৰিয়াল সমূহৰ ছোৱালী সকললৈ বিত্তীয় সাহায্য আগবঢ়োৱা হ'ব। মুখ্যমন্ত্ৰীৰ জীৱন জ্যোতি বীমা আঁচনিখন আৰু আম আদমী বীমা যোজনাখন চলাই থকা হ'ব। হৰিজন সম্প্ৰদায়ৰ সাংস্কৃতিক আৰু আৰ্থ সামাজিক উন্নয়নৰ অৰ্থে কেতবোৰ ব্যৱস্থা লোৱা হ'ব।

**খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্ৰমা ঃ**

অসমৰ লোক সকলক ৰাজ সাহায্য প্ৰাপ্ত চাউল, আটা, চেনী আৰু ৰাজ সাহায্য প্ৰাপ্ত কেৰাচিন তেলৰ যথাযথ বিতৰণ সুনিশ্চিত কৰিবলৈ ৰাজহুৱা বিতৰণ ব্যৱস্থাটো পঞ্চায়ত পৰ্য্যায়ৰ পৰা ওপৰলৈ শক্তিশালী কৰা হ'ব। মূল্য বৃদ্ধি ৰোধ কৰিবলৈ আৰু ৰাজহুৱা বিতৰণ ব্যৱস্থাটো অধিক দক্ষ কৰি তুলিবলৈ বৰ্ত্তমানে থকা সুলভ মূল্যৰ দোকান সমূহৰ মাজৰ পৰা ১০,০০০ আমাৰ দোকান নামৰ দোকান সমূহক উন্নীতকৰণ কৰা হ'ব । ৰাজহুৱা বিতৰণ ব্যৱস্থাটোৰ সু-পৰিচালনাৰ অৰ্থে এখন অসম ৰাজ্যিক অসামৰিক যোগান নিগম স্থাপন কৰা হ'ব। আৰু অধিক উন্নয়নৰ বাবে মুখ্য মন্ত্ৰীৰ অন্ন সুৰক্ষা যোজনাৰ অধীনত আগবঢ়োৱা সাহায্য অব্যাহত থাকিব। দাৰিদ্ৰ সীমাৰেখাৰ তলৰ আৰু দাৰিদ্ৰ সীমাৰেখাৰ ওপৰৰ পৰিয়াল সমূহলৈ ৰাজ সাহায্য প্ৰাপ্ত চাউল আগবঢ়োৱা অন্যান্য আঁচনি সমূহ চলি থাকিব আৰু এইবোৰ আঁচনিৰ অধীনত আৰু অধিক দুখীয়া পৰিয়ালক সামৰি লোৱা হ'ব। ৰন্ধনজ্যোতি আঁচনিৰ অধীনত দাৰিদ্ৰ সীমাৰেখাৰ তলৰ পৰিয়াল সমূহৰ বিধবা আৰু মহিলা সকলক তথা আত্ম সহায়ক গোটৰ সদস্য সকলক বিনামূলীয়া ৰন্ধনগেছৰ সংযোগ দিয়া হ'ব। ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ অন্তৰ্গত পৰিয়াল পৰিচয় পত্ৰ সমূহ / ৰেচন কাৰ্ড সমূহ পৰিয়ালৰ সংখ্যা অনুপাতে উন্নীত কৰা হ'ব। চহৰ আৰু নগৰ সমূহৰ বহুমহলীয়া বিল্ডিঙত এটা ৰেটিকুলেটেড এল জি পি গ্ৰিড চিষ্টেম প্ৰৱৰ্ত্তন কৰা হ'ব। ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ খাদ্য সামগ্ৰী সমূহৰ মজুত কৰণৰ সামৰ্থতা বৃদ্ধিৰ কাৰণে কাম আৰম্ভ কৰা হৈছে। উপভোক্তা সকলৰ অধিকাৰ সুৰক্ষিত কৰিবলৈ অসম ৰাজ্যিক উপভোক্তা বিবাদ নিস্পত্তি আয়োগ আৰু ২৩ খন জিলা উপভোক্তা বিবাদ নিস্পত্তি ফ'ৰামে কাম-কাজ চলাই আছে।

**সীমান্ত অঞ্চল ঃ**

আন্তঃৰাজ্যিক সীমা বিবাদৰ এটা স্থায়ী সমাধান কৰিবলৈ মোৰ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। আলোচনা আৰু মধ্যস্থতাকৰণৰ জৰিয়তে আন্তঃৰাজ্যিক সীমাবিবাদৰ এটা শান্তিপূৰ্ণ সমাধানত মোৰ চৰকাৰ আগ্ৰহী। আন্তঃৰাজ্যিক সীমামূৰীয়া গাওঁ সমূহত বসবাস কৰা লোক সকললৈ সকলো ধৰণৰ সুৰক্ষা ব্যৱস্থা আগবঢ়োৱা হ'ব। এই লোক সকলৰ উন্নয়নাৰ্থে পথ সংযোগী ব্যৱস্থা, খোৱাপানী যোগানৰ সা-সুবিধা, স্বাস্থ্যমূলক সা-সুবিধা, গাওঁ সমূহৰ বৈদ্যুতিকীকৰণ, শৈক্ষিক সা-সুবিধা আৰু সামূহিক গৃহ নিৰ্মাণৰ লেখীয়া কেতবোৰ আঁচনি হাতত লোৱা হ'ব। বাংলাদেশ আৰু ভুটানৰ লগত থকা আন্তঃৰাষ্ট্ৰীয় সীমা সুৰক্ষাও শক্তিশালীকৰণ কৰা হ'ব। এইবোৰ আন্তঃৰাষ্ট্ৰীয় সীমাত বসবাস কৰা লোকসকলৰ অৰ্থে পথ আৰু দলং, কালভাৰ্ট, বিদ্যালয় গৃহ, চিকিৎসালয়, খোৱাপানী যোগান আৰু বিদ্যুৎ যোগানৰ বাবে আঁচনি লোৱা হ'ব।



**অনুসূচিত জাতি, অনুসূচিত জনজাতি, পিচপৰা শ্ৰেণী আৰু অন্যান্য সম্প্ৰদায়ৰ কল্যাণ ঃ**

ৰাজ্যখনত বসবাস কৰা অনুসুচিত জাতি, অনুসুচিত জনজাতি অন্যান্য পিচপৰা শ্ৰেণী আৰু অন্যান্য সম্প্ৰদায়ৰ সৰ্বাংগীন উন্নয়ণ সাধন কৰিবলৈ মোৰ চৰকাৰ প্ৰতিশ্ৰুতি বদ্ধ। অনুসুচিত জাতি, অনুসুচিত জনজাতি আৰু অন্যান্য পিচপৰা শ্ৰেণীৰ লোক সকলৰ আৰ্থ সামজিক উন্নয়ণৰ অৰ্থে ৩০০ কোটি টকাৰ এখন বিশেষ আচঁনি ৰূপায়ন কৰা হ'ব। অনুসুচিত জাতিৰ লোক সকলৰ সৰ্বাংগীন উন্নয়নৰ কাৰণে অসম অনুসুচিত জাতি উন্নয়ন পৰিষদ স্থাপন কৰা হ'ব। এই সম্প্ৰদায় সমূহৰ সকলো প্ৰকাৰৰ উন্নয়নৰ অৰ্থে বৰ্দ্ধিত আবণ্টন দিয়া হ'ব আৰু এই সম্প্ৰদায় সমূহে বসবাস কৰা অঞ্চল সমূহত বিশুদ্ধ খোৱা পানী, স্বাস্থ্য, শিক্ষা, বিদ্যুৎ যোগান, পৰিবহন ইত্যাদিৰ সা-সুবিধা উন্নত কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰা হ'ব। মোৰ চৰকাৰে মৰাণ, মটক, চুতীয়া, আহোম, কোচ ৰাজবংশী আৰু চাহ জনজাতি সম্প্ৰদায় সমূহক অনুসুচিত জনজাতি মৰ্যদা প্ৰদানৰ কাৰণে কৰা দাবী সমাধান কৰাৰ বাবে চেষ্টা অব্যাহত ৰাখিব। অনুসুচিত জনজাতি আৰু অন্যান্য পৰম্পৰাগত বন নিবাসী (বন অধিকাৰৰ স্বীকৃতি) আইন, ২০০৬ খন ৰূপায়ণ কৰা হ'ব।

পাৰ্বত্য জিলা সমূহত থকা দুখন স্বায়ত্ত শাসিত পৰিষদৰ বাহিৰেও সম্প্ৰতি ৰাজ্যখনত সাতখন স্বায়ত্ত পৰিষদে কাম-কাজ চলাই আছে। এইবোৰ হ'ল বড়োলেণ্ড টেৰিট'ৰিয়েল কাউন্সিল (BTC) আৰু ৰাভা, হাচং, মিচিং, দেউৰী, তিৱা, সোনোৱাল কছাৰী আৰু ঠেঙাল কছাৰীৰ স্বায়ত্ত শাসিত পৰিষদ। তেওঁলোকৰ নিজস্ব এলেকাৰ উন্নয়নৰ বাবে এই স্বায়ত্ত শাসিত পৰিষদ সমূহলৈ অধিক পুঁজি যোগান ধৰা হ'ব। ৰাভা হাচং, মিচিং আৰু সোনোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচন অনুষ্ঠিত কৰা হ'ব। কোকৰাঝাৰত বিশ্ববিদ্যালয়, চিকিৎসা মহাবিদ্যালয়, অভিযান্ত্ৰিক মহাবিদ্যালয় আৰু তাৰকাগৃহ নিৰ্মাণ তথা বড়োলেণ্ড টেৰিটোৰিয়েল কাউন্সিল এলেকাৰ অন্যান্য প্ৰতিষ্ঠান সমূহৰ নিৰ্মাণৰ কাম খৰতকীয়া কৰা হ'ব । বি.টি.চি. এলেকাৰ চাৰিখন জিলাৰ উপায়ুক্তৰ কাৰ্য্যালয়, মহকুমাধিপতিৰ কাৰ্য্যালয় আৰু অন্যান্য জিলা কাৰ্য্যালয় সমূহৰ নিৰ্মাণ কাৰ্য্যও খৰতকীয়া কৰা হ'ব।

ৰাজ্যখনৰ বিভিন্ন সম্প্ৰদায় সমূহৰ প্ৰত্যাশা বাস্তবায়িত কৰিবলৈ ১৮ খন উন্নয়নী পৰিষদ গঠন কৰা হৈছে। মটক, মৰান, চুতীয়া, শৰনীয়া কচাৰী, টাই আহোম, আদিবাসী, বিষ্ণুপ্ৰিয়া মনিপুৰী, গোৰ্খা, মইমাল, কোচ-ৰাজবংশী, মৰিয়া, আমৰী কাৰ্বি, নাথ-যোগী, মনিপুৰী, মেচ কছাৰী, বৰাক উপত্যকাৰ পৰ্বতীয়া জনজাতি আৰু সাধাৰণ শ্ৰেণী সম্প্ৰদায়ৰ বাবে একোখনকৈ উন্নয়নী পৰিষদ গঠন কৰা হৈছে আৰু টাই ফাকে, টাই টুৰুং, টাই খামিয়াং, টাই এইটোন, টাই খামটি, চিংফো, টাংচা আৰু চেমা সম্প্ৰদায়ৰ বাবে একোখনকৈ গঠন কৰা হৈছে। তেওঁলোকৰ সম্প্ৰদায়ৰ উন্ননৰ বাবে এই উন্নয়ণী পৰিষদ সমূহলৈ পৰ্য্যাপ্ত পুঁজি আগবঢ়োৱা হ'ব। এই উন্নয়ণী পৰিষদ সমূহ পৰিচালনাৰ বাবে এটা সুকীয়া বিভাগ গঠন কৰা হ'ব।

## চাহ জনজাতি কল্যাণ ঃ

অসমৰ চাহ জনজাতি সমূহৰ কল্যাণৰ ওপৰত মোৰ চৰকাৰে অগ্ৰাধিকাৰ প্ৰদান কৰিছে। তেওঁলোকৰ উন্নয়নৰ বাবে বহুতো আঁচনি ৰূপায়ণ কৰি থকা হৈছে। এইবোৰ হ'ল পৰিয়াল মুখী উপাৰ্জন সৃষ্টি আঁচনি, প্ৰাক্-প্ৰবেশিকা জলপানী, প্ৰবেশিকোত্তৰ জলপানী, বেচৰকাৰী শৈক্ষিক প্ৰতিষ্ঠান আৰু স্বেচ্ছাসেবী অনুষ্ঠান সমূহলৈ অনুদান আৰু চাহ জনজাতিৰ ছাত্ৰ-ছাত্ৰীৰ বাবে ছাত্ৰাবাস তথা ছাত্ৰীনিবাস নিৰ্মাণ। বিভিন্ন কল্যাণ মুলক আঁচনিৰ অধীনত অধিক সংখ্যক হিতাধিকাৰীক অন্তৰ্ভূক্ত কৰিবলৈ প্ৰস্তাব কৰা হৈছে। নাপিত, কাহ-পিতল কৰ্মী আৰু কাৰু শিল্পৰ লেখীয়া ক্ষুদ্ৰ উদ্যোগী সকলোলৈ এককালীন সাহায্য আগবঢ়োৱা হ'ব। সামৰি নোলোৱা চাহ বাগিচা আৰু চাহ সম্প্ৰদায় অধ্যুষিত এলেকাত ৰাজীৱ গান্ধী গ্ৰামীন বৈদ্যুতিক আঁচনিখন লোৱা হ'ব। এতিয়ালৈকে সামৰি নোলোৱা চাহ কৰ্মী সকলৰ বাসগৃহ সমূহত বৈদ্যুতিক মিটাৰ স্থাপন কৰা হ'ব। চৰকাৰী ভূমি আৰু উদ্বিত্ত চৰকাৰী ভূমি, বহুবছৰ ধৰি দখল কৰি থকা চাহ আৰু প্ৰাক্তন চাহ সম্প্ৰদায়ৰ লোক সকলৈ মাটিৰ পট্টা দিয়া হ'ব। খোৱা পানী আৰু অনাময় আঁচনি হাতত লোৱা হ'ব।

## সংখালঘু কল্যাণ ঃ

চৰ অঞ্চলত বসবাস কৰা জনসাধৰণক আৰ্থিক ভাবে উপকৃত কৰিবলৈ মোৰ চৰকাৰে কিছুসংখ্যক আঁচনি হাতত লৈছে। এই আঁচনি সমূহে সামৰি লোৱা ক্ষেত্ৰসমূহ হ'ল কৃষি, কুটিৰ শিল্প আৰু শিক্ষা। আৰু অধিক ছাত্ৰ-চাত্ৰীক সামৰি লোৱাৰ বাবে প্ৰাক্ আৰু প্ৰবিশকোত্তৰ ছাত্ৰ-ছাত্ৰীৰ বাবে থকা জলপানিৰ সংখ্যা বদ্ধি কৰা হ'ব। চৰ আৰু সংখালঘূ এলেকাৰ আন্তঃগাথনি উন্নয়নৰ বাবে পথ আৰু দলং নিৰ্মাণ, বিশুদ্ধ খোৱা পানী যোগান, যোগাযোগ, বিদ্যুৎ, চিকিৎসালয় নিৰ্মাণৰ আঁচনি হাতত লোৱা হ'ব। সংখালঘু কৃষক সকলে উৎপাদন কৰা কৃষি সামগ্ৰী সমূহ বিপনণৰ বাবে চৰ আৰু সংখালঘু অধ্যুষিত এলেকাত আধুনিক বজাৰ আৰু শীতল ভড়াঁল স্থাপন কৰা হ'ব। অসমৰ ১৩ খন সংখালঘু ঘনীভূত জিলাৰ বাবে কেন্দ্ৰীয় পৃষ্ঠপোষকতাৰ বহুমুখী খণ্ডীয় জিলা উন্নয়ন পৰিকল্পনা (MSDP) আঁচনিখন হাতত লোৱা হৈছে আৰু ইয়াৰ বাবে একাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ সময়ছোৱাত ৭০৩.৫০ কোটি টকাৰ আবণ্টন দিয়া হৈছে। সংখালঘু সকলৰ উন্নয়নৰ বাবে অসম সংখ্যালঘু উন্নয়ন আৰু বিত্ত নিগমলৈ অধিক বিত্তীয় ক্ষমতা আৰু অনুদান আগবঢ়োৱা হ'ব।



## পৰ্য্যটন ঃ

মনোৰম প্ৰকৃতি, ঘন অৰণ্য, জীৱ-জন্তু, ঐতিহাসিক আৰু প্ৰত্নতাত্বিক স্থান সমূহৰ পয়োভৰেৰে অসম ঘৰুৱা আৰু বিদেশী পৰ্য্যটকৰ বাবে এখন আকৰ্ষনীয় পৰ্য্যটন থলী হিচাপে পৰিগনিত হৈছে। ২০১১ চনৰ পৰা ক্ষেত্ৰীয় উন্নয়ন (Circuit Development) স্থান সমূহৰ উন্নয়ন, পথৰ দাতিৰ সা-সুবিধা, পৰ্য্যটক অতিথিশালা ইত্যাদিৰ আঁচনি সমূহ গ্ৰহণৰ দ্বাৰা অসমৰ পৰ্য্যটনৰ আন্তঃগাঠনি সমূহ শক্তিশালী আৰু বৃদ্ধিৰ বাবে বহুতো পদক্ষেপ গ্ৰহণ কৰা হৈছে। ধৰ্মীয় আৰু ঐতিহাসিক স্থানৰ উন্নয়ন তথা পৰিবেশ-পৰ্য্যটনৰ উন্নয়নাৰ্থে বিশেষ গুৰুত্ব প্ৰদান কৰা হ'ব।

নিয়োগ সৃষ্টিৰ প্ৰভূত সম্ভাৱনীয়তাৰে পৰ্য্যটন হ'ল এক দ্ৰুতভাবে উৎকৰ্ষিত উদ্যোগ। মোৰ চৰকাৰে ৰাজ্যখনৰ পৰ্য্যটনৰ আন্তঃগাথঁনি উন্নয়ন কৰিবলৈ কাৰ্য্য ব্যৱস্থা গ্ৰহণ কৰিব আৰু আন্তঃৰাষ্ট্ৰীয় মানৰ পৰ্য্যটন সা-সুবিধা আৰু সেৱা উপলব্ধকৰণৰ বাবে পৰ্য্যটন খণ্ডত ব্যক্তিগত বিনোয়োগক উৎসাহিক কৰিবলৈ উদগনি যোগাব। আতিথ্য খণ্ডত প্ৰশিক্ষন প্ৰদানৰ অৰ্থে যোৰহাটৰ ইন্সটিটিউট অৱ হোটেল মেনেজমেণ্ট এণ্ড কেটাৰিঙৰ কাম ক্ষিপ্ৰ ভাবে সম্পূৰ্ণ কৰা হ'ব। অসম চৰকাৰৰ সহযোগত হোটেল কোম্পানী লিমিটেডৰ দ্বাৰা গুৱাহাটীৰ খানাপাৰাত এখন পঞ্চতাৰকাযুক্ত বিলাসী হোটেল নিৰ্মাণ কাৰ্য্য চলি আছে আৰু অচিৰেই ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত অত্যাধুনিক সা-সুবিধাৰ চাৰিমহলীয়া বিলাসী ক্ৰুইজ জাহাজৰ সেৱাও পৰ্য্যটকৰ বাবে মুকলি কৰা হ'ব।

**সংস্কৃতি ঃ**

অসমৰ এক চহকী, সজীৱ আৰু বহুমুখী সংস্কৃতি আছে। অসমৰ এই চহকী সংস্কৃতিৰ সুৰক্ষা, সংৰক্ষণ আৰু উৎকৰ্ষ সাধনক গতিশীলতা প্ৰদান কৰিবৰ্লৈ কিছুসংখ্যক পদক্ষেপ হাতত লোৱা হৈছে। অসমৰ সত্ৰ আৰু প্ৰত্নতাত্ত্বিক স্থান সমূহক সুৰক্ষা আৰু সংৰক্ষণৰ কাৰণে আঁচনি সমূহ হাতত লোৱা হৈছে। যোৰহাটত চ্যু-কা-ফা সমন্বয় ক্ষেত্ৰ, বৰদোৱাত সতী ৰাধিকা সাংস্কৃতিক চৌহদ, গোলাঘাটত সতী সাধিনী সাংস্কৃতিক চৌহদ, তিনিচুকীয়াত অনিৰুদ্ধ দেৱ সংস্কৃতিক চৌহদ নিৰ্মাণ কৰিবলৈ পদক্ষেপ লোৱা হব আৰু শিৱসাগৰত থকা আজান পীড় দৰগাহৰ উন্নয়নৰ বাবেও পদক্ষেপ হাতত লোৱা হব। মাজুলীৰ আন্তঃগাথনি আৰু সাংস্কৃতিক ঐতিহ্য সংৰক্ষণৰ বাবে এক বিশেষ প্ৰকল্পও ৰূপায়ণ কৰা হব। তেজপুৰত জ্যোতি-বিষ্ণু বিশ্ববিদ্যালয় স্থাপন কৰা হব আৰু অসমৰ নিৰ্বাচিত ঠাইত জ্যোতি-বিষ্ণু কেন্দ্ৰ স্থাপন কৰা হব। গুৱাহাটীত এখন অসম সংগীত আৰু সাহিত্য একাডেমী স্থাপন কৰা হব। পুণেৰ চলচিত্ৰ আৰু দূৰদৰ্শন প্ৰতিষ্ঠানৰ আৰ্হিত চাংসাৰিৰ শিলগাঁৱত এটা চলচিত্ৰ আৰু দূৰদৰ্শন প্ৰতিষ্ঠান স্থাপন কৰা হব। কবিগুৰু ৰবীন্দ্ৰ ঠাকুৰ আৰু স্বামী বিবেকানন্দৰ ১৫০ বছৰীয়া জয়ন্তী উদ্‌যাপন কৰিবলৈ পদক্ষেপ হাতত লোৱা হব।

**নগৰ উন্নয়ন ঃ**

দ্ৰুত নগৰীকৰণৰ সহায়ক হোৱাকৈ অসমৰ নগৰাঞ্চলত কিছুসংখ্যক আঁচনি হাতত লোৱা হৈছে। নগৰাঞ্চলৰ আন্তঃগাঁথনি শক্তিশালীকৰণৰ বাবে ক্ষুদ্ৰ আৰু মজলীয়া নগৰ সমূহৰ আন্তঃগাঁথনি উন্নয়ন আঁচনি নামৰ এখন কেন্দ্ৰীয় পৃষ্ঠপোষকতাৰ আঁচনি বৰ্ত্তমানে ৰূপায়ণ কৰি থকা হৈছে। কেন্দ্ৰীয় অপৰিশোধেয় পুঁজি আৰু উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্য সমূহৰ বাবে থকা ১০% কেন্দ্ৰীয় পুঁজি শিতানৰ অধীনত নগৰ উন্নয়ন আঁচনি সমূহৰ পুঁজি যোগান ধৰি থকা হৈছে। নগৰ আৰু পৌৰ নিকায়ৰ উন্নয়নৰ সহায়ক হোৱাকৈ এখন ৰাজ্যিক পৰ্য্যায়ৰ নগৰ এলেকা উন্নয়ন কৰ্তৃপক্ষ গঠন কৰা হব। মাষ্টাৰ প্লেনৰ ভিত্তিত সেউজ, পৰিচ্ছন্ন আৰু আটকধুনীয়া নগৰ সাজিবলৈ পদক্ষেপ হাতত লোৱা হব। সকলোবোৰ নগৰতে পথ পকীকৰণ, বৈজ্ঞানিকভাৱে নলা-নৰ্দমা নিৰ্মাণ, খোৱা পানীৰ



সা-সুবিধা আৰু ষ্ট্ৰীট লাইটৰ ব্যৱস্থা নিশ্চিত কৰা হব। যান-জঁট কমাবলৈ পথ সমূহ বহল কৰা হব আৰু আধুনিক পাৰ্কিং নিৰ্মাণ কৰা হব। বৰ্ত্তমানে থকা বজাৰ সমূহ উন্নয়ন কৰা হব আৰু নতুন বজাৰ নিৰ্মাণ কৰা হব।

বিভিন্ন আঁচনিৰ অধীনত হিতাধিকাৰীৰ সংখ্যা বৃদ্ধি কৰাৰ দ্বাৰা নগৰীয়া দাৰিদ্ৰতাৰ ক্ষেত্ৰত এক ফলপ্ৰসূ পদক্ষেপ গ্ৰহণ কৰাৰ অৰ্থে ব্যৱস্থা হাতত লোৱা হব। স্বৰ্ণ জয়ন্তী চহৰী ৰোজগাৰ যোজনাৰ (SYSRY) অধীনত নগৰৰ নিবনুৱা সকললৈ লাভজনক নিয়োগৰ সুবিধা দিয়া হব আৰু দাৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা লোকসকলক মজুৰি নিয়োজনৰ সুবিধা প্ৰদান কৰা হব। সংহত গৃহ আৰু বস্তি অঞ্চল উন্নয়ন আঁচনিৰ অধীনত নগৰৰ দুখীয়া লোকসকল উপকৃত হোৱাকৈ গৃহ আৰু সংহত বস্তি উন্নয়ন আঁচনি হাতত লোৱা হব। অসম ৰাজ্যিক গৃহ পৰিষদে ৰাজ্যখনত বিভিন্ন গৃহ আঁচনি আৰু অসম নগৰীয়া পানী আৰু পয়-প্ৰণালী পৰিষদে নগৰৰ জনসাধাৰনলৈ বিশুদ্ধ খোৱা পানী উপলব্ধ কৰিবলৈ কিছুসংখ্যক আঁচনি ৰূপায়ণ কৰিব।

**গুৱাহাটী উন্নয়ন ঃ**

খোৱাপানীৰ যোগান, গোটা পেলনীয়া সামগ্ৰীৰ পৰিচালন, বস্তিগৃহ, পথ আৰু নলা-নৰ্দমা নিৰ্মাণ, বহুমহলীয়া কাৰ পাৰ্কিং আৰু নগৰ পৰিবহনৰ লেখীয়া গুৱাহাটীত নগৰীয়া আন্তঃগাঁথনি সৃষ্টি কৰাৰ বাবে বহুতো আঁচনি হাতত লোৱা হৈছে। এই আঁচনি সমূহলৈ অবিৰতভাৱে জোৰ দি থকা হব। পশ্চিম গুৱাহাটী পানী যোগান প্ৰকল্প, মধ্য গুৱাহাটী পানী যোগান প্ৰকল্প আৰু উত্তৰ গুৱাহাটী পানী যোগান প্ৰকল্প ক্ষীপ্ৰভাৱে সম্পূৰ্ণ কৰিবলৈ কাৰ্য্যব্যৱস্থা গ্ৰহণ কৰা হব। সমগ্ৰ গুৱাহাটী মহানগৰীয় অঞ্চলক সামৰি লবলৈ দক্ষিণ পুব পানী যোগান প্ৰকল্প হাতত লোৱা হব। সমগ্ৰ গুৱাহাটী মহানগৰক সামৰি লবলৈ এখন পয়-প্ৰণালী প্ৰকল্প হাতত লোৱা হব। আৱৰ্জনা নিষ্কাষণ প্ৰকল্প নিৰ্মাণৰ কাম ক্ষীপ্ৰ কৰা হব। পাহাৰ খননত নিষেধাজ্ঞা, আৰ্দ্ৰ ভূমি সংৰক্ষণ, নলা-নৰ্দমা ব্যৱস্থাৰ উন্নয়ন ইত্যাদিৰ দ্বাৰা গুৱাহাটীৰ কৃত্ৰিম বান পানীৰ সমস্যাটো সমাধান কৰিবলৈ এক বিস্তৃত পদক্ষেপ গ্ৰহণ কৰা হব। গুৱাহাটী মহানগৰৰ ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰটো

সৌন্দর্য্যবৰ্দ্ধন কৰা হব আৰু ফাচী বজাৰত এটা আন্তঃ ৰাষ্ট্ৰীয় বাণিজ্য কেন্দ্ৰ স্থাপন কৰা হ'ব । গুৱাহাটী আৰু উত্তৰ গুৱাহাটী সংযোগী ৰজ্জু পথ সম্পূৰ্ণ কৰা হব । গুৱাহাটীৰ ওচৰত এখন উপগ্ৰহ নগৰ স্থাপন কৰা হ'ব ।

**পৰিবহন ঃ**

২০০১ চনৰ পৰা অসম ৰাজ্যিক পৰিবহন নিগমৰ কাম-কাজ সমূহত ব্যাপক পৰিবৰ্ত্তন অনা হৈছে । আজি অসম ৰাজ্যিক পৰিবহন নিগমে তেওঁলোকৰ নিজস্ব ৪৫০ খন নিজৰ বাছ আৰু ইয়াৰ বেনাৰৰ অধীনত চলা ১,২০০ ব্যক্তিগত বাছ সেৱাৰ নেটৱৰ্কেৰে সমগ্ৰ ৰাজ্যখনতে এক নিৰ্ভৰযোগ্য পথ পৰিবহন সেৱা আগবঢ়াই আছে . মুখ্যমন্ত্ৰীৰ গ্ৰাম্য সংযোগী আঁচনিৰ অধীনত গ্ৰামাঞ্চলত ১০০ খন নতুন বাছে সেৱা আগবঢ়াবলৈ আৰম্ভ কৰিছে । জে এন এন ইউ আৰ এম নামৰ কেন্দ্ৰীয় খণ্ডৰ আঁচনিৰ অধীনত আন ১৪৪ খন বাছ গুৱাহাটী মহানগৰীত যোগান ধৰি সেৱা আৰম্ভ কৰা হৈছে । যোৰহাটৰ আন্তঃৰাজ্যিক বাচ আস্থান আৰু শিৱসাগৰ তথা ডিব্ৰুগড় বাছ আস্থান কেইটাৰ সেৱা আৰম্ভ হৈছে আৰু কাম-কাজ চলি আছে । গুৱাহাটীত যাত্ৰী নিবাস তথা এন ই চিৰ অতিথিশালা নিৰ্মাণ কৰা হৈছে আৰু ইয়াৰ সেৱা অচিৰে আৰম্ভ কৰা হব ।

মোৰ চৰকাৰে পথ সুৰক্ষা নিয়ামক কৰ্তৃপক্ষ স্থাপন কৰিব যাতে পথ সুৰক্ষা চৰ্তাৱলী সমূহ অনুসৰণ কৰা যায় আৰু জনসাধাৰণে যাতে সুৰক্ষিত চালনৰ অভ্যাসটোক অনুকৰণ কৰে । অনুজ্ঞাপত্ৰৰ পদ্ধতি আৰু যানবাহনৰ পঞ্জীয়নক ব্যাপকভাৱে কম্পিউটাৰ কৰণ কৰা হৈছে যাতে বন্ধুত্বমূলক উপভোক্তা আৰু হাৰাশাস্তিবিহীন খৰতকীয়া সেৱা এটা উপলব্ধ কৰিব পৰা যায় । আভ্যন্তৰিণ জল পৰিবহন বিভাগে ব্ৰহ্মপুত্ৰ আৰু বৰাক নৈত ৯৮ সংখ্যক ফেৰী সেৱা আগবঢ়াই আহিছে । এখন নতুন ফেৰী সেৱা জনসাধাৰণৰ সুবিধাৰ বাবে আৰম্ভ কৰিবলৈ জাননী জাৰি কৰা হৈছে ।

**বিজ্ঞান আৰু প্ৰযুক্তি ঃ**

মোৰ চৰকাৰে বিজ্ঞান আৰু প্ৰযুক্তিৰ প্ৰসাৰৰ ওপৰত গুৰুত্ব প্ৰদান কৰিব । মোৰ চৰকাৰে প্ৰাথমিক পৰ্য্যায়ৰ পৰা বিশ্ববিদ্যালয় পৰ্যায়লৈকে বিজ্ঞান আৰু প্ৰযুক্তি



শিক্ষাক উদগণি যোগাব । ৰাজ্যখনত এখন বিজ্ঞান আৰু প্ৰযুক্তি বিশ্ববিদ্যালয় স্থাপন কৰা হব । গুৱাহাটীত এখন বিজ্ঞান মহানগৰ স্থাপন কৰা হব আৰু গুৱাহাটীত জৈৱ প্ৰযুক্তি উদ্যানৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰা হব । যোৰহাট, কোকৰাঝাৰ, লক্ষীমপুৰ আৰু নলবাৰীত নতুন তাৰকাগৃহ নিৰ্মাণৰ কাম ক্ষীপ্ৰতাৰে সম্পূৰ্ণ কৰি তোলা হব । ছাত্ৰ-ছাত্ৰী সকলৰ মাজত বিজ্ঞান শিক্ষা জনপ্ৰিয় কৰি তোলাৰ অৰ্থে ছাত্ৰ-ছাত্ৰী, তেওঁলোকৰ শিক্ষক আৰু অভিভাৱক সকলক সামৰি বিজ্ঞান যাত্ৰা অনুষ্ঠিত কৰা হৈছে । ২১৯ টা উন্নয়ন খণ্ডত ২১৯ টা আৰ্য্যভট্ট বিজ্ঞান কেন্দ্ৰই বিজ্ঞান আৰু প্ৰযুক্তিক জনপ্ৰিয় কৰি তোলাৰ বাবে কাম কৰি আছে ।

**তথ্য প্ৰযুক্তি ঃ**

দেশৰ ৰাষ্ট্ৰীয় ই-গভৰ্নেন্স প্লেনত অসমক অন্তৰ্ভূক্ত কৰা হৈছে । এই প্লেনৰ অংশ হিচাপে প্ৰতিটো উন্নয়ন খণ্ডৰ মুখ্য কাৰ্য্যালয় আৰু মহকুমাৰ মুখ্য কাৰ্য্যালয়ক জিলাৰ মুখ্য কাৰ্য্যালয়ৰ লগত সংযোগ কৰি আৰু অৱশেষত ইয়াক গুৱাহাটীত থকা ৰাজ্যিক মুখ্য কাৰ্য্যালয়ৰ লগত সংযোগ কৰি আসাম ষ্টেট ৱাইড এৰিয়া নেটৱৰ্ক স্থাপন কৰিবলৈ লোৱা হৈছে । কমন চাৰ্ভিছেজ চেন্টাৰ স্থাপন কৰাৰ অৰ্থে এখন আঁচনি হাতত লোৱা হৈছে । ইয়াৰ পৰা জনসাধাৰণলৈ সেৱাৰ পৰিসৰ আগবঢ়োৱাৰ ক্ষেত্ৰত আই. চি. টি সামৰ্থপ্ৰাপ্ত সেৱা প্ৰদান কৰা হব । এতিয়ালৈকে ৰাজ্যখনৰ গ্ৰাম্য আৰু দূৰবৰ্ত্তী এলেকা সমূহত ৩,৭৬০ টা কমন ছাৰ্ভিছেজ চেন্টাৰ স্থাপন কৰা হৈছে । ৰাজ্যখনৰ ১,৬১০ খন উচ্চতৰ মাধ্যমিক বিদ্যলয়, হাইস্কুল আৰু হাইমাদ্ৰাছাত আৰু ৬৪১ খন চৰকাৰী হাইস্কুলত ৰাজীৱ গান্ধী কম্পিউটাৰ সাক্ষৰতা আঁচনিখন চলি আছে ।

ৰাজ্যখনৰ বাহিৰৰ বিনিয়োগক আকৰ্ষণ কৰাৰ অৰ্থে অসমৰ তথ্য প্ৰযুক্তি নীতি, ২০০৯ ইতিমধ্যে ঘোষণা কৰা হৈছে । আন্তঃৰাষ্ট্ৰীয় ইন্টাৰনেট গেটৱেক গুৱাহাটীলৈ অনাৰ বাবে কাৰ্য্যব্যৱস্থা হাতত লোৱা হৈছে । কলা তথ্য প্ৰযুক্তি উদ্যানৰ এটা অঞ্চল গুৱাহাটীত স্থাপন কৰা হব । খণ্ড পাৰ্য্যায়ত তথ্য প্ৰযুক্তিক উদগণি দিয়াৰ অৰ্থে ব্যৱস্থা হাতত লোৱা হব আৰু প্ৰযুক্তিৰ দক্ষতা বৃদ্ধিৰ প্ৰতি গুৰুত্ব প্ৰদান কৰা হব । কৃষক, শিল্পী, মহিলা আৰু যুৱক-যুৱতীৰ কল্যাণৰ বাবে অসমৰ গ্ৰামাঞ্চল সমূহত তথ্য প্ৰযুক্তিৰ প্ৰসাৰৰ বাবে মোৰ

চৰকাৰে এটা অভিযান আৰম্ভ কৰিব । আসম অনলাইন পৰ্টেল প্ৰজেক্ট আৰু ছেক্ৰেটৰিয়েত লেছ পেপাৰ অফিচ প্ৰজেক্ট সম্পূৰ্ণ কৰা হব ।

**তথ্য আৰু জনসংযোগ ঃ**

গ্ৰাম্য জনসাধাৰণ আৰু জিলাৰ মুখ্য কাৰ্য্যালয় আৰু চহৰ সমূহত বাস কৰা লোক সকলৰ বাবে ৰেডিঅ'ৰ বাতৰি আৰু অন্যান্য কাৰ্যসূচী প্ৰচাৰ কৰি থকা স্থিৰ অনুভাষ যন্ত্ৰৰ আঁচনিখন অব্যাহত ৰখা হব । চৰকাৰী কাৰ্যসূচী আৰু জনমুখী আঁচনি সমূহৰ ওপৰত গুৰুত্ব প্ৰদান কৰি আৰু ৰাষ্ট্ৰীয় সংহতি আৰু সাম্প্ৰদায়িক সম্প্ৰীতিক উদগণি যোগাই চলাই থকা প্ৰচাৰ অভিযান অব্যাহত ৰখা হব । সাংবাদিক সকলৰ কল্যাণৰ বাবে কেবাটাও ব্যৱস্থা হাতত লোৱা হব । সাংবাদিকৰ চিকিৎসা কল্যাণ আঁচনিৰ কৰ্পাচ পুঁজি বৃদ্ধি কৰা হব আৰু এই আঁচনিৰ অধীনত মফচলীয়া অঞ্চলৰ সাংবাদিক সকলক সামৰি লোৱা হব । চৰকাৰী ভাবে স্বীকৃতিপ্ৰাপ্ত সাংবাদিক আৰু ১০ বছৰৰ অভিজ্ঞতা থকা সাংবাদিক সকলক লেপটপ প্ৰদান কৰা আঁচনিখন অব্যাহত ৰখা হব আৰু ইয়াৰ অধীনত অধিক সাংবাদিকক সামৰি লোৱা হব । অসম সমবায় এপেক্স বেংকৰ পৰা সাংবাদিক সকলে লোৱা গৃহ ঋণৰ বাবে সুতৰ ক্ষেত্ৰত ৰাজ সাহায্য প্ৰদান কৰা হব । গুৱহাটীৰ ওচৰত এখন সাংবাদিক ক'লনি নিৰ্মাণ কৰা হব ।

**পাৰ্বত্য অঞ্চল ঃ**

পাৰ্বত্য অঞ্চলৰ সৰ্বাঙ্গীন উন্নতিৰ বাবে মোৰ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ । কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদ আৰু উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্ত শাসিত পৰিষদলৈ চৰকাৰে অধিক পুঁজিৰ যোগান ধৰিব । বিজুলি যোগান, খোৱা পানীৰ যোগান, স্বাস্থ্য সম্পৰ্কীয় সা-সুবিধা, শিক্ষা, পৰিবহন আৰু যাতায়তৰ সুবিধা উন্নীতকৰণ আৰু সম্প্ৰসাৰণৰ ওপৰত জোৰ দিয়া হব । সংহত ঝুমীয়া উন্নয়ন আঁচনি (আই জে ডি পি) আৰু ঝুম খেতি অঞ্চলৰ জলচ্ছেদ উন্নয়ন আঁচনি (ডব্লিউ ডি পি এচ চি এ) খন ৰূপায়ণ কৰা হব । কাৰ্বি আংলঙত অসম পাৰ্বত্য চিকিৎসা মহাবিদ্যালয়, অসম পাৰ্বত্য আভিযান্ত্ৰিক মহাবিদ্যালয় আৰু অসম পাৰ্বত্য বিশ্ববিদ্যালয় স্থাপন কৰা হব আৰু দুয়োখন পাৰ্বত্য জিলাতেই একোখনকৈ জি এন এম (সাধাৰণ ধাত্ৰী বিদ্যালয়) স্কুল স্থাপন কৰা হব ।



**বিদ্যুৎ ঃ**

অসমৰ বিদ্যুৎ খণ্ডত পৰিবৰ্ত্তন অনাৰ বাবে ২০01 চনৰ পৰাই কেতবোৰ পদক্ষেপ লৈ অহা হৈছে । এছিয় উন্নয়ন বেংকে (এ ডি বি) যোগান ধৰা ২৫০ নিযুত আমেৰিকান ডলাৰৰ পুঁজিৰে বিদ্যুৎ খণ্ডৰ প্ৰাতিষ্ঠানিক কাঠামোৰ ব্যাপক পৰিবৰ্ত্তন ঘটোৱা হৈছে আৰু বিদ্যুৎ উৎপাদন, প্ৰৱহন আৰু বিতৰণ ব্যৱস্থা উন্নীত কৰা হৈছে । বিগত পাঁচ বছৰত বিদ্যুতৰ প্ৰৱহন আৰু বিতৰণ পদ্ধতিৰ শক্তিশালীকৰণে কাৰিকৰী আৰু বাণিজ্যিক লোকচানৰ পৰিমাণ ৪২% ৰ পৰা ২৭% লৈ হ্ৰাস কৰিছে । প্ৰৱহন পৰিবৰ্ত্তন আৰু বিতৰণ পদ্ধতি বঢ়াই তোলাৰ অৰ্থে এছিয় উন্নয়ন বেংকৰ পৰা অতিৰিক্ত আৰু ২০০ নিযুত আমেৰিকান ডলাৰৰ ঋণ লোৱা হৈছে ।

২০০৭ চনৰ পৰাই ১০০ মেগাৱাট কাৰ্বি লাংপি জলবিদ্যুৎ শক্তি প্ৰকল্পৰ সেৱা আৰম্ভ কৰা আৰু চলি থকা বিদ্যুৎ উৎপাদন কেন্দ্ৰবোৰৰ প্লান্ট লোড ফেক্টৰ ৩৬.৩২ শতাংশৰ পৰা ৫৮.৪৫% লৈ বৃদ্ধি কৰাৰ ফলত অসমত বিদ্যুৎ উৎপাদন বৃদ্ধি পাইছে । অলপতে ৩৭.২ মেগাৱাটৰ লাকুৱা ৱেষ্ট হিট ৰিকোভাৰী প্লান্টৰ সেৱা আৰম্ভ হলে আৰ ১০০ মেগাৱাট নামৰূপ ৰিপ্লেচ্‌মেন্ট প্ৰজেক্ট নিৰ্মাণ হৈ উঠিলে এই স্থিতি আৰু অধিক উন্নত হব । সোন কালে যাতে ১২৫০ মেগাৱাটৰ বঙাইগাঁও থাৰ্মেল পাৱাৰ প্ৰজেক্টটো সম্পূৰ্ণ হৈ উঠে সেয়া নিশ্চিত কৰিবলৈ সকলো কাৰ্যব্যৱস্থা গ্ৰহণ কৰা হব । লাংনিট, মিনট্ৰিয়াং, পহুমাৰা, বৰদিকৰাই আৰু দিচাঙৰ পাঁচটা ক্ষুদ্ৰ জলবিদ্যুৎ শক্তি প্ৰকল্প নিৰ্মাণৰ কাম আগবাঢ়ি আছে আৰু বি টি চি অঞ্চলৰ ৪ মেগাৱাট যুক্ত চম্পামতী প্ৰকল্পৰ সেৱা ইতিমধ্যে আৰম্ভ হৈছে । ২০১২ চনৰ ভিতৰত তিনিটা ২২০/১৩২ কেভিৰ উপ কেন্দ্ৰ, ৫ টা ১৩২/৩৩ কেভিৰ উপ-কেন্দ্ৰ ৩৬৫ কিলোমিটাৰৰ ২২০ কেভি লাইন, ৯৮ কিলোমিটাৰৰ ১৩২ কেভি লাইন আৰু ২২০/৩৩ কেভি ইনচুলেটেড গেচ, ২ x ৫০ এম ভি এ উপকেন্দ্ৰ নিৰ্মাণৰ লগে লগে প্ৰেৰণ আৰু ৰূপান্তৰৰ পদ্ধতিৰো অধিক উন্নতি ঘটিব ।

৩ টা ৩৩/১১ কেভি উপকেন্দ্ৰ, ১৪৫.২৫ কিলোমিটাৰ ৩৩ কেভি লাইন, ১৫৪.০০ কিলোমিটাৰ ১১ কে ভি লাইনৰ নিৰ্মাণ আৰু ৫০ টা বিতৰণ টেন্স ফৰমাৰ্চ বহুওৱাৰ লগে লগে বিতৰণ পদ্ধতিও শক্তিশালী হব । বিকল হোৱা বিতৰণ ট্ৰেন্সফৰমাৰবোৰ

সলনি কৰাৰ বাবে মুখ্যমন্ত্ৰীৰ বিদ্যুৎ যোগান আশ্বাস আঁচনি আৰু চুৰি কাৰ্য্য কমাই ৰাজহ বৃদ্ধি কৰাৰ বাবে ফ্ৰেঞ্চাইজি সকলৰ হাতত বচা বচা ১১ কেভি ফিদাৰছ অৰ্পণ কৰাৰ অৰ্থে ইনপুট বেজদ্ ডিষ্ট্ৰিবিউচন ফ্ৰেঞ্চাইজি (আই বি ডি এফ) আঁচনিখন চলি থাকিব। ৰাজীৱ গান্ধী গ্ৰাম্য বৈদ্যুতিকৰণ আঁচনি, পুনৰগঠিত বিস্তৃত বিদ্যুৎ উন্নয়ন আৰু সংস্কাৰ আঁচনি আৰু দুৰণিবতীয়া আৰু ঢুকি নোপোৱা গাঁওবোৰলৈ সৌৰ শক্তি যোগান ধৰা আঁচনিবোৰ ৰূপায়ণ কৰা হ'ব। ১০ লাখ দাৰিদ্ৰ সীমাৰ তলৰ পৰিয়াললৈ ২টাকৈ বিনামূলীয়া চি এফ এল বাল্‌ব যোগান ধৰা আৰু পাবলৈ যোগ্য বিবেচিত হোৱা ১ লাখ ছাত্ৰ-ছাত্ৰীক বিনামূলীয়াকৈ সৌৰ চাকি যোগানৰ বাকী থকা কামখিনি সম্পূৰ্ণ কৰা হ'ব।

**খনি আৰু খনিজ সম্পদ ঃ**

মোৰ চৰকাৰে খনিজ সম্পদ আৰু ভূমি জল উৎসৰ উদঘাটন কৰাৰ লগতে ৰাজ্যজুৰি খনিজ সম্পদ আৰু পেট্ৰোলিয়ামৰ পৰিচালনাও কৰে। বিভিন্ন ৰাজহুৱা খণ্ড আৰু ব্যক্তিগত খণ্ডৰ সংগঠনক খনিজ সম্পদ আৰু পেট্ৰোলিয়াম উদঘাটনৰ অনুজ্ঞাপত্ৰ আৰু খনিব লীজ দিয়ে। অনুজ্ঞাপত্ৰধাৰী আৰু লেছি সকলৰ পৰা ৰয়েল্টি, খাজানা, মাচুল আদিৰ আকাৰত চৰকাৰে অনাকৰ-ৰাজহ আদায় কৰে। ৰাজ্যখনত বৰ্ত্তমানে হাতত লোৱা বৃহৎ আঁচনিবোৰ হ'ল - কাৰ্বি আংলঙ, তিনচুকীয়া আৰু ডিব্ৰুগড় জিলাৰ জমা কয়লা উদঘাটন, মৰিগাওঁ আৰু কামৰূপ জিলাৰ জমাহৈ থকা গ্ৰেণাইটৰ অনুন্ধান, কাৰ্বি আংলঙ জিলাৰ স্কোৱাৰ্টজ-ফেলদস্পাৰৰ অনুসন্ধান আৰু ৰাজ্যখনৰ ভূমি জল উৎসৰ জল ভূতাত্ত্বিক অনুসন্ধান। দুটা ৰাষ্ট্ৰীয় খ্যাত কোম্পানীৰ সৈতে লগলাগি অসম খনিজ উন্নয়ন নিগম লিমিটেডে ৰাজহুৱা আৰু ব্যক্তিগত যৌথ ব্যৱসায়েৰে (পি পি পি) বৃহৎ চিমেণ্ট উদ্যোগ স্থাপনৰ কাম আৰম্ভ কৰিব।

**শ্ৰম আৰু নিয়োগ ঃ**

অসমত নিবনুৱা সমস্যাৰ সমাধান কৰিবলৈ মোৰ চৰকাৰে সকলোধৰণৰ কাৰ্য্যব্যৱস্থা গ্ৰহণ কৰিব। এই প্ৰক্ৰিয়াৰ সহায়ক হোৱাকৈ এখন অসম নিয়োগ সৃষ্টি নিগম আৰু এখন



অসম দক্ষতা উন্নয়ন নিগম গঠন কৰা হ'ব। নিবনুৱা যুৱক-যুৱতী সকলক প্ৰশিক্ষণ দিয়াৰ অৰ্থে প্ৰতিটো উন্নয়ন খণ্ডতে দক্ষতা উন্নয়ন প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰা হ'ব। নিবনুৱা যুৱক-যুৱতী সকলক স্ব-নিয়োজনৰ আঁচনিসহ আগবাঢ়ি অহাত উৎসাহ যোগাবলৈ চিড মানি উপলব্ধ কৰা হ'ব। ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান সমূহত বৃত্তিমূলক প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। কাজল গাওঁ, শুক্লাই, বকো , ঘিলামাৰা, কৰিমগঞ্জ, লিডু আৰু তিতাবৰত সাতখন নতুন ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান স্থাপন কৰা হ'ব। ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডত বৃত্তিগত প্ৰশিক্ষণ প্ৰদান কৰা সকললৈ বিত্তীয় সাহায্য আগবঢ়াবলৈ এটা দক্ষতা উন্নয়নী পদক্ষেপ সমিতি পঞ্জীয়ন কৰা হৈছে। নিবনুৱা সমস্যা সমাধানৰ বাবে এটা নিয়োগ সৃষ্টি অভিযান স্থাপন কৰা হৈছে আৰু ৯,১৩০ সংখ্যক নি বনুৱা যুৱক-যুৱতীলৈ লাভজনক স্ব-নিয়োজন প্ৰদান কৰা হৈছে। শ্ৰমিকৰ অধিকাৰ সুৰক্ষিত কৰিবলৈ আৰু কল্যাণকামী সুবিধাসমূহ তেওঁলোকে লাভ কৰাটো নিশ্চিত কৰিবলৈ বিভিন্ন কল্যাণকামী বিধেয়ক বলবৎ কৰি থকা হৈছে। ইয়াৰ উপৰিও অসংগঠিত খণ্ডৰ শ্ৰমিক সকলক বিভিন্ন কল্যাণকামী আঁচনি উপলব্ধ কৰিবলৈ অসম অসংগঠিত শ্ৰমিক সামাজিক সুৰক্ষা বিধি, ২০১০ তৈয়াৰ কৰা হৈছে।

**জল সম্পদ ঃ**

অসমত বানপানী আৰু গড়াখহনীয়াৰ সমস্যা লাঘৱ কৰিবলৈ মোৰ চৰকাৰ প্ৰশ্ৰিতিবদ্ধ। এই লক্ষ্য আগত ৰাখি কিছুসংখ্যক আঁচনি ৰূপায়ণ কৰি থকা হৈছে। এইবোৰৰ ভিতৰত বানপানী পৰিচালনা আঁচনি, আৰ আই ডি এফ - XII (নাবাৰ্ড), আৰ আই ডি এফ - XV (নাবাৰ্ড), অতিৰিক্ত কেন্দ্ৰীয় সাহায্য (এ চি এ) আৰু ৰাজ্যিক পৰিকল্পনাৰ অধীনৰ আঁচনি সমূহ। ডিব্ৰুগড়, যোৰহাট আৰু পলাশবাৰীৰ প্ৰত্যেকতে একোটিকৈ উপকেন্দ্ৰ সহ ১৪২.০০ মিলিয়ন এছীয় উন্নয়নী বেংকৰ পুঁজিৰ অসম সংহত বানপানী আৰু নৈ পাৰৰ খহনীয়া বিপদ পৰিচালনা প্ৰকল্প এটাও আৰম্ভ কৰা হৈছে। বান পৰিচালনাৰ ক্ষেত্ৰত নতুন প্ৰযুক্তি গ্ৰহণ কৰা হৈছে। মাজুলী আৰু ঢকুৱাখনা এলেকাক সুৰক্ষিত কৰিবলৈ মাতমৰা জিঅ' ডাইক নিৰ্মাণত ভাৰতত পোণ প্ৰথমবাৰৰ বাবে জিঅ'-

ফেব্ৰিক টিউব প্ৰযুক্তি ব্যৱহাৰ কৰা হৈছে। এই সফলতাৰ ওপৰত ভিত্তি কৰি অসমৰ বিভিন্ন নদী সমূহত আৰু অধিক তেনেকুৱা জিঅ'-ফেব্ৰিক টিউব মথাউৰি নিৰ্মাণ কৰা হ'ব। বান আৰু গড়াখহনীয়াত গৃহহাৰা হোৱা পৰিয়ালৰ পুনৰ সংস্থাপনৰ বাবে এখন বিশেষ আঁচনি ৰূপায়ণ কৰা হ'ব। মোৰ চৰকাৰে এইটো নিশ্চিত কৰিবলৈ দায়বদ্ধ যে উন্নয়নী প্ৰকল্প সমূহে যাতে ভূমি আৰু অসমৰ চহকী জৈৱ বিবিধতাক বেয়াকৈ ক্ষতিগ্ৰস্ত কৰিব নোৱাৰে।

**ক্ৰীড়া আৰু যুৱ কল্যাণ ঃ**

ক্ৰীড়া আৰু খেল, কলা আৰু সাহিত্য, পৰিবেশ সুৰক্ষা সামাজিক সেৱা, স্ব-নিয়োজন ইত্যাদিৰ লেখীয়া ক্ষেত্ৰ সমূহত যুৱক-যুৱতী সকলৰ উৎকৰ্ষ সাধনাৰ্থে এখন ৰাজ্যিক যুৱ উন্নয়ন পৰিষদ গঠন কৰা হ'ব। দুৰ্গত ক্ৰীড়াবিদ সকলক বিত্তীয় সাহায্য আগবঢ়াবলৈ মুখ্যমন্ত্ৰীৰ হিতৈষী পুঁজি নামেৰে এটা বিশেষ পুঁজিৰ সৃষ্টি কৰা হ'ব। ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়া সমূহত অসমলৈ সুনাম কঢ়িয়াই অনা ক্ৰীড়াবিদ সকললৈ উদগনি আগবঢ়োৱা হ'ব। ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত অসমৰ বাবে পদক বুটলি অনা ক্ৰীড়াবিদ আৰু তেওঁলোকৰ প্ৰশিক্ষক সকলক নগদ উদগনিৰে পুৰস্কৃত কৰা হ'ব। তেওঁলোকৰ পাৰদৰ্শিতা উন্নীত কৰিবলৈ ক্ৰীড়াবিদ সকলক প্ৰতিপালন আৰু উপযুক্ত প্ৰশিক্ষণ সাহায্য আগবঢ়োৱা হ'ব।

বৰ্ত্তমানে তেনেকুৱা সুবিধা পৰ্য্যাপ্ত নথকা নিৰ্বাচিত জিলা আৰু মহকুমা সমূহত পৰ্য্যায়ক্ৰমে নতুন ষ্টেডিয়াম আৰু সাতোৰ কেন্দ্ৰ নিৰ্মাণ কৰা হ'ব। গ্ৰাম্য ক্ৰীড়াৰ বিকাশৰ অৰ্থে কিছুসংখ্যক ক্ষুদ্ৰ ষ্টেডিয়াম আৰু ৰাজীৱ গান্ধী ক্ৰীড়া চৌহদ সমূহ আৰু অধিক উন্নত কৰা হ'ব। ৰাজ্যিক ক্ৰীড়া নীতিৰ লগত সংগতি ৰাখি পঞ্চায়ত যুৱ ক্ৰীড়া আৰু খেল অভিযানৰ অধীনত গ্ৰামাঞ্চলৰ গাওঁ আৰু খণ্ড পৰ্য্যায়ত খেল পথাৰ, ক্ৰীড়া আন্তঃগাঁথনি আৰু অন্যান্য ক্ৰীড়াৰ সা-সুবিধা সমূহৰ উন্নয়নৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হব। মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনিৰ অধীনত ক্ৰীড়া ক্লাব, শৈক্ষিক প্ৰতিষ্ঠান আৰু অন্যান্য সংস্থা সমূহলৈ ক্ৰীড়া সামগ্ৰী প্ৰদান কৰা হ'ব। স্কুলীয়া পাঠ্যক্ৰমত শাৰীৰিক শিক্ষাক অন্তৰ্ভূক্ত কৰা হ'ব। শাৰীৰিক প্ৰশিক্ষণত উৎকৰ্ষ সাধনাৰ্থে অত্যাধুনিক ব্যায়ামাগাৰ স্থাপন কৰা হব।



ক্ৰীড়া শিক্ষাৰ লক্ষ্মী বাই ৰাষ্ট্ৰীয় বিশ্ববিদ্যালয়ৰ উত্তৰ পূৰ্বাঞ্চলৰ আঞ্চলিক কেন্দ্ৰ গুৱাহাটীত আৰম্ভ কৰা হৈছে। এন চি চি, স্কাউটচ এণ্ড গাইডচ আৰু দুঃসাহসিক ক্ৰীড়াৰ বিকাশৰ বাবে পৰ্য্যাপ্ত পুঁজি ধাৰ্য্য কৰা হ'ব।

**প্ৰশাসনীয় সংস্কাৰ আৰু প্ৰশিক্ষণ ঃ**

মোৰ চৰকাৰে গুৱাহাটীত থকা অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ক ৰাজ্যখনৰ ভিতৰতে এখন শীৰ্ষ প্ৰশিক্ষণ প্ৰতিষ্ঠান হিচাপে গঢ়ি তুলিবলৈ এই মহাবিদ্যালয় খনক কাম-কাজৰ ক্ষেত্ৰত স্বায়ত্ততা প্ৰদান কৰাৰ বাবে ব্যৱস্থা লৈছে। এই ক্ষেত্ৰত এক প্ৰশিক্ষণ নীতি গ্ৰহণ কৰা হৈছে আৰু সচিবালয়ৰ বিষয়া আৰু কৰ্মচাৰী সকলৰ বাবে এক ব্যাপক প্ৰশিক্ষণ কাৰ্য্যসূচী গ্ৰহণ কৰা হ'ব। দক্ষতা বৃদ্ধি কৰাৰ অৰ্থে ৰাজ্যৰ অসামৰিক সেৱাৰ বিষয়া সকলৰ বাবে কৰ্মৰত অৱস্থাত প্ৰশিক্ষণ লোৱাটো বাধ্যতামূলক কৰা হ'ব। অসম সচিবালয়ৰ প্ৰশাসনিক সহকাৰী সকলৰ বাবে সচিবালয় প্ৰশিক্ষণ বিদ্যালয়ত প্ৰশিক্ষণ প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। চৰকাৰৰ স্বচ্ছতাক উদগনি জনোৱাৰ অৰ্থে ৰাজ্যিক তথ্য আয়োগখনে কাম কৰি আছে।

**ৰাজহ প্ৰশাসন ঃ**

মোৰ চৰকাৰে ভূমি লেখা, পঞ্জীয়ন, ষ্টাম্প আৰু মানচিত্ৰ আদিৰ ক্ষেত্ৰত তথ্য প্ৰযুক্তিৰ সহায়েৰে ৰাজহ প্ৰশাসনক আধুনিকীকৰণ কৰাৰ অৰ্থে এলানি ব্যৱস্থা গ্ৰহণ কৰিছে। ৰাজহ চক্ৰ বিষয়া সকলক তেওঁলোকৰ পৰিবহনত সহায়ক হোৱাকৈ ১৫২ খন গাড়ী যোগান ধৰা হৈছে। গাওঁবুঢ়া সকলক অধিক দক্ষ কৰি গঢ়ি তুলিবলৈ মোবাইল ফোন হেণ্ডচেট আৰু চাইকেল যোগান ধৰা হৈছে। গাওঁবুঢ়া সকলৰ মাহিলী পাৰিতোষিক বৃদ্ধি কৰা হৈছে। প্ৰাক্তন চাহ শ্ৰমিক সকলক আৰু চৰ অঞ্চলত বসবাস কৰা লোক সকলক ভূমি পট্টা যোগান ধৰাৰ আঁচনিখন অব্যাহত ৰখা হব। দুৰ্য্যোগ ব্যৱস্থাপনাৰ ওপৰত গুৰুত্ব দিয়া হ'ব আৰু ৰাজ্যখনত হবপৰা সাম্ভাব্য দুৰ্য্যোগৰ প্ৰতি সহাৰি জনাব পৰাকৈ এটা ৰাজ্যিক দুৰ্য্যোগ সহাৰি বাহিনী গঠন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

অসমৰ চহকী জৈৱ বৈচিত্ৰতা, পৰিবেশ, আৰ্দ্ৰভূমি আৰু জলাশয় সমূহক সংৰক্ষণ কৰাৰ অৰ্থে ব্যৱস্থা হাতত লোৱা হ'ব। জনজাতিৰ বাবে সংৰক্ষিত এলেকা আৰু খণ্ড সমূহত বসবাস কৰা জনজাতি লোক সকলৰ ভূমি সংৰক্ষণ কৰাৰ অৰ্থে ফলপ্ৰসু কাৰ্য্যব্যৱস্থা হাতত লোৱা হ'ব। খহনীয়াত আক্ৰান্ত পৰিয়াল সমূহক পুনৰ সংস্থাপিত কৰিবলৈ এখন পুনৰ সংস্থাপন কৰ্তৃপক্ষ স্থাপন কৰা হ'ব। বান আৰু খহনীয়াত আক্ৰান্ত লোক সকলৰ বাবে গৃহ নিৰ্মাণ কৰিবলৈ সামূহিক আশ্ৰয় প্ৰকল্প নামৰ এখন বিশেষ আঁচনিৰ ৰূপায়ণৰ কাম হাতত লোৱা হ'ব। খহনীয়াত আক্ৰান্ত পৰিয়াল সকললৈ ভূমি যোগান ধৰাৰ বাবে বৰ্ত্তমানে থকা ব্যৱস্থাটোক অধিক শক্তিশালী কৰা হ'ব। ভূমি অধিগ্ৰহণৰ ফলত বিতাৰিত হোৱা পৰিয়াল সকলক মাটি আৰু থকা ঘৰ প্ৰদানৰ দ্বাৰা সঠিকভাৱে পুনৰ সংস্থাপিত কৰাটো সুনিশ্চিত কৰিবলৈ নেশ্যনেল ৰিহেবিলিটেস্যন এণ্ড ৰিচেটেলমেণ্ট পলিচি, ২০০৭ খন গ্ৰহণ কৰা হৈছে।

**পেঞ্চন আৰু ৰাজহুৱা আপত্তি ঃ**

মোৰ চৰকাৰ চৰকাৰী কৰ্মচাৰী আৰু প্ৰাদেশিকীকৃত বিদ্যালয় সমূহৰ কৰ্মচাৰী সকললৈ সময়মতে পেঞ্চন প্ৰদান কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ। পেঞ্চন চূড়ান্তকৰণ আৰু বিনিময় পেঞ্চনৰ বিষয় সমূহ (Commutation of Pension Cases) ৰ ক্ষীপ্ৰতাৰে সমাধানৰ সহায়ক হোৱাকৈ এটা পেঞ্চন তথ্য পদ্ধতি কাৰ্য্যক্ষম কৰা হৈছে। প্ৰাদেশীকৃত পঞ্চায়ত কৰ্মচাৰী সকলৰ পেঞ্চনৰ বিষয় সমূহত কাৰ্য্যব্যৱস্থা গ্ৰহণ কৰিবলৈ অসমৰ পেঞ্চন সঞ্চালকক কৰ্ত্তৃত্ব প্ৰদানো কৰা হৈছে।

**আবকাৰী ঃ**

মোৰ চৰকাৰে সমগ্ৰ ৰাজ্যতে ভাং, কানি আৰু অন্যান্য নিচাযুক্ত ঔষধৰ ওপৰত সম্পূৰ্ণ নিষেধাজ্ঞা আৰোপ কৰিব। চৰকাৰখনে অবৈধ সুৰা উৎপাদন আৰু অবৈধ সুৰা বিক্ৰী ৰোধৰ বাবে কাৰ্য্যব্যৱস্থা গ্ৰহণ কৰিব। ৰাজ্যিক মাদক দ্ৰব্য নিবাৰণী আৰু নিষেধাজ্ঞা পৰিষদে নিচাযুক্ত ঔষধ আৰু অন্যান্য নিচাযুক্ত সামগ্ৰীৰ অপপ্ৰয়োগৰ ক্ষেত্ৰত জনসাধাৰণৰ



মাজত সভা আৰু আলোচনা চক্ৰৰ আয়োজনৰ জৰিয়তে সজাগতা সৃষ্টি কৰি আছে। অসমৰ আবকাৰী আৰু বিক্ৰী ৰাজহ সংগ্ৰহ বৃদ্ধিৰ বাবে সকলোবোৰ পদক্ষেপ গ্ৰহণ কৰা হ'ব।

**বিধায়িনী আৰু ন্যায়িক ঃ**

অসম ৰাজ্যিক আইন সেৱা কৰ্তৃপক্ষই লোক আদালত, আইন সজাগতা শিবিৰ আৰু মধ্যস্থতাকৰণৰ শিবিৰ অনুষ্ঠিত কৰি আছে। গুৱাহাটীত এখন ৰাষ্ট্ৰীয় আইন আৰু ন্যায়িক একাডেমী স্থাপন কৰিবলৈ লোৱা হৈছে। এটা ৰাজ্যিক মোকৰ্দ্দমা নীতিও প্ৰস্তুত কৰি উলিওৱা হ'ব। নগাঁও, বৰপেটা, নলবাৰী, ধুবুৰী, শিলচৰ আৰু গুৱাহাটীত এখন অতিৰিক্ত ন্যায়াধিকৰণকে ধৰি ছয়খন মটৰ দুৰ্ঘটনা ক্ষতিপূৰণ ন্যায়াধিকৰণ, বৰপেটা আৰু ধুবুৰীত ২খন পাৰিবাৰিক আদালত, কামৰূপ জিলাত আন এখন অতিৰিক্ত পাৰিবাৰিক আদালত আৰু গুৱাহাটীত দুখন অতিৰিক্ত বিশেষ আদালত (চি বি আই) স্থাপন কৰা হৈছে। এইবোৰৰ আন্তঃবুনিয়াদ শক্তিশালীকৰণৰ অৰ্থে ত্ৰয়োদশ বিত্ত আয়োগে দিয়া অনুদান ব্যৱহাৰ কৰাৰ বাবে কাৰ্য্যব্যৱস্থা লোৱা হ'ব।

**মাননীয় সদস্য সকল,** মই মোৰ চৰকাৰৰ নীতি আৰু আঁচনিসমূহ আপোনালোকৰ আগত দাঙি ধৰিলো। দাঙি ধৰা এই নীতি আৰু আঁচনিবোৰ ৰূপায়ণ কৰাৰ অৰ্থে সৰ্বাত্মক প্ৰচেষ্টা চলোৱাৰ বাবে মোৰ চৰকাৰ প্ৰশ্ৰিুতিবদ্ধ। মই ভাবো সদনৰ আলাপ আলোচনাই এই লক্ষ্য সমূহত উপনীত হোৱাত সহায় কৰিব।

জয়হিন্দ্

২০১১

অসম চৰকাৰী ছপাশালত মুদ্ৰিত,
গুৱাহটী-২১